Content includes AI-generated material


www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, JANUARY 30, 2025 ■ বৃহস্পতিবাৰ, ১৬ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৩৩ Guwahati, Assam ।। মূল্যঃ এটকা

## গুৱাহাটীত নিশা কিয় খুলিছে স্কুল?




বিতং বাতৰি ৬নং পৃষ্ঠাত

## ছৌদি আৰবত দুৰ্ঘটনাত নিহত ৯জন ভাৰতীয়

ৰিয়াধ, ২৯ জানুৱাৰীঃ ছৌদি আৰৱত সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে শেষাংশ ৩ পৃষ্ঠাত

## মহানগৰীত নিশা এনকাউণ্টাৰ

ই-সংবাদ, ২৯ জানুৱাৰীঃ পুনৰ গুৱাহাটী আৰক্ষীৰ বন্দুকৰ পৰা ২ পৃষ্ঠাত চাওক



## শিৱসাগৰত পীয়ুষ হাজৰিকাৰ পুত্তলিকা দাহ

ই-সংবাদ, শিৱসাগৰ, ২৯ জানুৱাৰীঃ ৰাজ্য চৰকাৰে অনুসূচিত জাতিৰ 'চাব প্লান' আঁচনি কৰ্তন কৰা ৫ পৃষ্ঠাত



মহাকুম্ভত পদপিষ্ট লোকক উদ্ধাৰত ব্যস্ত উদ্ধাৰকাৰী দল, বুধবাৰৰ দৃশ্য

### জিএছএলভি এফ-১৫ উৎক্ষেপণ

## শততম উৎক্ষেপণ সফল, ইছৰোৱে ৰচিলে গৌৰৱময় ইতিহাস



চেন্নাই, ২৯ জানুৱাৰীঃ ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ ইতিহাসৰ পাতত সন্নিৱিষ্ট হ'ল আৰু এটা গৌৰৱময় অধ্যায়। ২০২৫ চনৰ আৰম্ভণিতে ২ পৃষ্ঠাত

### পদপিষ্ট হৈ অৰ্ধশতাধিক আহত, অসমৰ এজন ভক্তয়ো সাবতিলে মৃত্যুক

# মৌনী অমাৱস্যাৰ নিশা মহাকুম্ভত অথন্তৰ, নিহত ৩৯

■ নিহতৰ সংখ্যা লুকুওৱাৰ চেষ্টা যোগী চৰকাৰৰ আৰক্ষীৰ, ৭৫০০ কোটি টকা খৰছ কৰা সত্বেও বিশৃংখল পৰিৱেশ




প্ৰয়াগৰাজ, ২৯ জানুৱাৰীঃ প্ৰয়াগৰাজৰ ঐতিহাসিক মহাকুম্ভ মেলাত মৌনী অমাৱস্যাৰ দিনা অমৃত স্নানৰ সময়তে সংঘটিত হ'ল এক হৃদয়বিদাৰক দুৰ্ঘটনা। বৃহৎ সংখ্যক ভক্তৰ ভিৰৰ ফলত সৃষ্টি হোৱা বিশৃংখল ৪ পৃষ্ঠাত

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

### হিমন্ত দুৰ্নীতিৰ চৰ্দাৰঃ সুপ্ৰিয়া শ্ৰীনেট

## ছ'চিয়েল মিডিয়াত সক্ৰিয় কংগ্ৰেছীয়ে লাভ কৰিব ১ লাখ টকা!



গুৱাহাটী, ২৯ জানুৱাৰীঃ নিখিল ভাৰত কংগ্ৰেছৰ সামাজিক মাধ্যম বিভাগৰ ৰাষ্ট্ৰীয় অধ্যক্ষ তথা ৰাষ্ট্ৰীয় জ্যেষ্ঠ মুখপাত্ৰ ৩ পৃষ্ঠাত

### কলগাছিয়াত চিপিআইএমৰ গণ সমাৱেশ

## চৰকাৰে শীঘ্ৰে ডিটেনচন কেম্প বিলুপ্ত কৰকঃ সুপ্ৰকাশ



ই-সংবাদ, কলগাছিয়া, ২৯ জানুৱাৰীঃ ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ উদ্যোগত আজি কলগাছিয়া পাটবজাৰ প্ৰাংগণত এক ২ পৃষ্ঠাত চাওক

প্ৰথম পৃষ্ঠাৰ পৰা...

# চৰকাৰে শীঘ্ৰে ডিটেনচন কেম্প বিলুপ্ত

বিশাল গণ সমাৱেশ অনুষ্ঠিত হয়। সমাৱেশত চিপিআইএমৰ নেতা সুপ্ৰকাশ তালুকদাৰ আৰু সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে বিজেপি চৰকাৰক তীব্ৰ সমালোচনাৰে থকা-সৰকা কৰে। সমালোচনাৰ পৰা সাৰি যোৱা নাই কংগ্ৰেছ আৰু এআইইউডিএফো। তেওঁলোকে সমাৱেশৰ জৰিয়তে চৰকাৰলৈ কেইবাটাও দাবী উত্থাপন কৰে। এনআৰচিৰ চূড়ান্ত তালিকা প্ৰকাশ কৰি পৰিচয় পত্ৰ দিয়াৰ ব্যৱস্থা কৰা, ডি-ভোটাৰ আৰু ডিটেনচন কেম্প বিলুপ্ত কৰা আৰু সকলো ৰাজহ গাঁৱৰ মাটিৰ নক্সাৰ যোগান ধৰাৰ দাবীত এই বিশাল গণ সমাৱেশৰ আয়োজন কৰে চিপিআইএমে। এই ক্ষেত্ৰত চিপিআই (এম) অসম ৰাজ্যিক কমিটিৰ সম্পাদক সুপ্ৰকাশ তালুকদাৰে কয় যে বিজেপি চৰকাৰে দুখীয়া মানুহৰ বাবে কাম নকৰে, কেৱল ধনী মানুহৰ বাবেহে কাম কৰে। বিজেপি চৰকাৰে হিন্দুৰ ভোট নাপায়, যাৰ বাবে মুছলমানৰ বিৰুদ্ধে ঘৃণাৰ ভাব আৰু ইয়াৰ মাজত দলাল সৃষ্টি কৰি মুছলমানক ভাগ ভাগ কৰাৰ চেষ্টা কৰিছে। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল যে হিন্দুৰ মাটি মুছলমান মানুহে ক্ৰয় কৰিব নোৱাৰে, এই ক্ষেত্ৰত কংগ্ৰেছে কোনো প্ৰতিবাদ কৰা নাই বুলি ক্ষোভ উজাৰে। কিন্তু এনেকুৱা বৈষম্যমূলক চৰকাৰৰ আমি নিশ্চয় বিৰোধ কৰিম। এই ক্ষেত্ৰত সংখ্যালঘু মানুহৰ অধিকাৰৰ ক্ষেত্ৰত চিপিআই (এম) সদায় সৰব হৈ আছে বুলিও কয়। তদুপৰি চৰকাৰী পক্ষৰ মানুহ নামনি অসমলৈ আহিলে সংখ্যালঘু মানুহৰ কথা কয় আৰু উজনি অসমলৈ গ'লে সংখ্যালঘু মানুহৰ বিৰুদ্ধে কথা কয়, এয়াই চৰকাৰৰ চৰিত্ৰ বুলিও কয় তালুকদাৰে। বৰপেটা জিলা এখন সংখ্যালঘু প্ৰধান জিলা, এই জিলাখনত বসুন্ধৰা আঁচনি এজনো মুছলমান মানুহে পোৱা নাই। এয়া চৰকাৰৰ বৈষম্যমূলক আচৰণ নহয় নেকি বুলি প্ৰশ্ন কৰি চৰকাৰক তীব্ৰ সমালোচনা কৰে। লগতে কয় যে চৰকাৰৰ দায়িত্ব আছিল কেনেকৈ ডি-ভোটাৰ কৰ্তন কৰা যায়, কিন্তু তাৰ পৰিৱৰ্তে চৰকাৰে সন্দেহৰ ভিত্তিত কেনেকৈ ডিটেনচন কেম্পলৈ প্ৰেৰণ কৰা যায় সেই চেষ্টা অব্যাহত ৰাখিছে। সেয়ে এনআৰচিৰ চূড়ান্ত তালিকা প্ৰকাশ কৰি পৰিচয় পত্ৰ দিয়াৰ ব্যৱস্থা কৰাৰ দাবী জনায় আৰু যেতিয়ালৈকে এনআৰচি নহয় তেতিয়ালৈকে বিদেশী ন্যায়াধীকৰণ বন্ধ কৰি ৰখাৰ বাবে দাবী জনায়। দুটা কাম একেলগে কেতিয়াও নহয় বুলিও মন্তব্য কৰে নেতাগৰাকীয়ে। অনুষ্ঠানটোত সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে অসমৰ বিভিন্ন প্ৰান্তত চলা উচ্ছেদ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে ভূমিহীন মানুহক সংস্থাপন দিয়াৰ বাবে চৰকাৰক আহ্বান জনায়। লগতে চিপিআইএম বৰপেটা জিলা কমিটিৰ সম্পাদক আজিজুৰ ৰহমানে কয় যে বিজেপি চৰকাৰে পুঁজিপতিৰ সহায় লৈ দুখীয়াক মাৰি আছে, মূল্যবৃদ্ধি কৰিছে। চৰকাৰৰ এনে কাৰ্যৰ বিৰুদ্ধে অনাগত দিনত ভয়ংকৰ আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিয়ে। আজিৰ সভাত কলগাছিয়া লোকেল কমিটিৰ সম্পাদক চানমামুদ আহমেদ, ভাৰতৰ গণতান্ত্ৰিক যুৱ ফেডাৰেচনৰ ৰাজ্যিক সভাপতি ৰুস্তম আলী, এছএফআই বৰপেটা জিলাৰ সাধাৰণ সম্পাদক শাহাজুল ইছলামকে ধৰি ভালেসংখ্যক নেতা-কৰ্মী আৰু পাঁচ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মহানগৰীত নিশা এনকাউণ্টাৰ

ওলোৱা গুলী জিম্মাত থকা অভিযুক্তৰ ভৰি লাগিল। পাৰ্থসাৰথি মহন্তই গুৱাহাটী আৰক্ষীৰ আয়ুক্তৰ দায়িত্ব লোৱাৰ পিছৰে পৰা তৃতীয়জন অভিযুক্তক জিম্মাত থকাকালত গুলী কৰিছে গুৱাহাটী আৰক্ষীয়ে। এনকাউণ্টাৰ কৰিছে মহানগৰীৰ হাতীগাঁও আৰক্ষীয়ে। চিলনী চোৰ হোৱাৰ সন্দেহত গ্ৰেপ্তাৰ কৰা জুৱেলক এনকাউণ্টাৰ কৰিছে হাতীগাঁও আৰক্ষীয়ে। ভৰিত গুলী লগা জুৱেলক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰা হৈছে। জানিব পৰা মতে, ২৮ জানুৱাৰীত সংঘটিত হৈছিল এক মহিলাৰ পৰা বেগ কাঢ়ি নিয়াৰ ঘটনা। মহিলাৰ বেগ টানি নিয়াত পথত বাগৰি পৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল মহিলা। তাৰ পিছতে আৰক্ষীয়ে আৰম্ভ কৰে অভিযান। অভিযানত ধৰা পৰে জুৱেল। জুৱেলক জিম্মাত লোৱাৰ সময়তে আৰক্ষীৰ পৰা পলায়নৰ প্ৰয়াস কৰাত ভৰিত গুলীয়াই হাতীগাঁও আৰক্ষীয়ে। পাৰ্থ সাৰথি মহন্তই গুৱাহাটীৰ আৰক্ষী আয়ুক্ত হিচাপে দায়িত্ব লোৱাৰ পিছৰে পৰা গুৱাহাটীত তৃতীয়টো এনকাউণ্টাৰ কৰিছে গুৱাহাটী আৰক্ষীয়ে। প্ৰথমটো ১১ জানুৱাৰী আৰু দ্বিতীয়টো ২০ জানুৱাৰীত আৰু ততৃতীয়টো আজি। ১১ জানুৱাৰীত ভড়াগড়ত মহিলাক ছুৰীকাঘাত কৰা আজিল হকক এনকাউণ্টাৰ কৰিছিল আৰক্ষীয়ে। ২০ জানুৱাৰীত ডকাইতিৰ সন্দেহত গ্ৰেপ্তাৰ কৰা জ্যোতিদীপ মজুমদাৰক এনকাউণ্টাৰ কৰিছিল। উচ্চতম ন্যায়ালয়ৰ উদ্বেগ প্ৰকাশ কৰাৰ পিছতো অসম অব্যাহত আছে এনকাউণ্টাৰ সংস্কৃতি। ১০টা দিনৰ ভিতৰতে খোদ গুৱাহাটীতে দুটা এনকাউণ্টাৰৰ ঘটনা সংঘটিত কৰিলে আৰক্ষীয়ে। আৰক্ষীৰ এনকাউণ্টাৰক লৈ সন্দিহান সাধাৰণ জনতাও।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শততম উৎক্ষেপণ সফল, ইছৰোৱে

এক ঐতিহাসিক নজিৰ গঢ়িবলৈ সক্ষম হ'ল মহাকাশ গৱেষণা সংস্থাটোৱে। অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা ইছৰ'ৱে সম্পূৰ্ণ কৰে শততম উৎক্ষেপণ। চাৰি দশকৰ সফলতাৰ পিছত এই অভিযানে ভাৰতীয় মহাকাশ অন্বেষণৰ ক্ষেত্ৰত আন এখোজ আগুৱাই নিছে। বুধবাৰে পুৱা ৬:২৩ বজাত কৃত্ৰিম উপগ্ৰহ এনভিএছ-২ক কক্ষপথত প্ৰৱেশ কৰিববলৈ জিএছএলভি এফ-১৫ ৰকেট সফলতাৰে উৎক্ষেপণ কৰা হয়। এই জিঅ'চিনক্ৰ'নাছ চেটেলাইট লঞ্চ ভেহিকেল হৈছে থলুৱা ক্ৰাইজেনিক প্ৰযুক্তি ব্যৱহাৰ কৰি নিৰ্মিত তিনিটা পৰ্যায়ৰ ৰকেট, যিয়ে এনভিএছ-০২ উপগ্ৰহটোক পৃথিৱীৰ চাৰিওফালে নিৰ্দিষ্ট কক্ষপথত স্থাপন কৰিব। ইছৰ'ৰ মতে, এই অভিযানৰ সফলতা ভাৰতীয় মহাকাশ অন্বেষণৰ ভৱিষ্যত প্ৰকল্পৰ বাবে এক ডাঙৰ প্ৰেৰণা হিচাপে পৰিগণিত হ'ব। উল্লেখ্য যে, ভাৰতৰ মহাকাশ অভিযানৰ ইতিহাস আৰম্ভ হৈছিল ১৯৭৯ চনৰ ১০ আগষ্টৰ পৰা, যেতিয়া শ্ৰীহৰিকোটাৰ পৰা প্ৰথম এছএলভি-৩ ৰকেট উৎক্ষেপণ কৰা হৈছিল। কিন্তু কাৰিকৰী বিসংগতিৰ বাবে ৰকেটটো বংগোপসাগৰত বাগৰে পৰে। সেই ব্যৰ্থতাৰ পৰা শিক্ষা লৈ ইছৰ'ৱে ক্ৰমান্বয়ে কল্পনাতীত সফলতাৰ দিশে আগবাঢ়িছে। চন্দ্ৰযান, মংগলযান, আদিত্য এল-১ আদি সফল অভিযানৰ পিছত এতিয়া এক নতুন মাইলৰ খুঁটিত উপনীত হৈছে মহাকাশ গৱেষণা সংস্থাটো। ইফালে পৰম্পৰা অনুসৰি উৎক্ষেপণৰ আগদিনা মঙলবাৰে তিৰুপতিৰ তিৰুমালা ভেংকটেশ্বৰ মন্দিৰত ইছৰ'ৰ অধ্যক্ষ ভি নাৰায়ণনে প্ৰাৰ্থনা কৰে। তেওঁৰ লগত সংস্থাটোৰ আন আন শীৰ্ষ বিষয়াসকলো উপস্থিত থাকে। তাৰ পাছত বুধবাৰে পুৱা সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ দ্বিতীয়টো উৎক্ষেপণ স্থানৰ পৰা ৰকেটটো উৎক্ষেপণ কৰা হয়। উল্লেখ্য যে, উৎক্ষেপণ কৰা এনভিএছ-০২ উপগ্ৰহটোৰ ওজন হৈছে প্ৰায় ২,২৫০ কিলোগ্ৰাম। মাত্ৰ ১৯ মিনিটতে ইয়াক জিঅ'চিনক্ৰ'নাছ ট্ৰেন্সফাৰ অৰ্বিটত স্থাপন কৰা হয়। ইয়াক মূলতঃ নেভিগেচন প্ৰযুক্তিৰ উন্নতিৰ বাবে ব্যৱহাৰ কৰা হ'ব। ইছৰ'ৰ তথ্য অনুসৰি জিএছএলভিএফ-১৫ ৰকেটৰ ১৬টা উৎক্ষেপণৰ ভিতৰত ৬টা উৎক্ষেপণ বিফল হৈছে যদিও শেহতীয়াকৈ সফল উৎক্ষেপণ ইছৰ'ৰ প্ৰযুক্তিগত উন্নতিৰ প্ৰমাণ। এই ঐতিহাসিক উৎক্ষেপণে ভাৰতৰ মহাকাশ অন্বেষণৰ কৃতিত্বৰ ইতিহাসত আন এক অধ্যায় সংযোজন কৰিছে। ইছৰ'ৰ বিজ্ঞানীসকলে কয় যে ভৱিষ্যতে চন্দ্ৰযান-৪, গগণযান আৰু আন কেইবাটাও অভিলাষী মহাকাশ অভিযানৰ প্ৰস্তুতিও পূৰ্ণগতিত চলি আছে। ভাৰতৰ মহাকাশ গৱেষণাৰ এই অবিৰত সফলতাই দেশত বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত নতুন দিগন্ত মুকলি কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ছ'চিয়েল মিডিয়াত সক্ৰিয় কংগ্ৰেছীয়ে

সুপ্ৰিয়া শ্ৰীনেটে আজি গুৱাহাটীত এখন সংবাদমেলত অংশগ্ৰহণ কৰি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক দেশৰ ভিতৰতে এজন ভ্ৰষ্টাচাৰী আৰু দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী বুলি অভিহিত কৰে। অবৈধ কয়লা ছিণ্ডিকেটৰ লগত মুখ্যমন্ত্ৰী আৰু তেওঁৰ ৰাজন্যবৰ্গ জড়িত বুলি অভিযোগ কৰি শ্ৰীনেটে কয় যে উচ্চতম ন্যায়ালয় আৰু দেশৰ সেউজ ন্যায়াধীকৰণে নিষেধাজ্ঞা আৰোপ কৰাৰ পিছতো অসমত ৰেট হোল মাইনিঙেৰে কয়লা ছিণ্ডিকেট চলোৱাৰ পৃষ্ঠপোষকতা কৰিছিল মুখ্যমন্ত্ৰীয়ে। তেওঁ ৰেট হোল মাইনিং চলা নাই বুলি এবাৰ কৈ ২৪ ঘণ্টাৰ ভিতৰতে অবৈধ মাইনিং বন্ধ কৰা হ'ব বুলি দুমুখীয়া স্থিতি প্ৰকট কৰা বুলিও তেওঁ অভিযোগ কৰে। সংবাদমেলত শ্ৰীনেটে অসমত সকলো ঠিকেই নাই বুলি অভিযোগ কৰে। তেওঁ কয়, "অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ডাঙৰ ডাঙৰ কথা কয়। অহংকাৰত গদগদ হৈ থাকে। বাহিৰলৈ গৈ কংগ্ৰেছক গালি পাৰি বিজেপিক জয়ী কৰাবলৈ দম্ভ মাৰে। কিন্তু বিজেপিক জয়ী কৰিব নোৱাৰে। অসমলৈ আহি মুখ্যমন্ত্ৰীয়ে মিছা কথা কয়।" অসমত কয়লাৰ খনন চলি থকাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি খননক লৈ মুখ্যমন্ত্ৰী, মুখ্যমন্ত্ৰীৰ প্ৰশাসন, আৰক্ষীয়ে লজ্জাজনক স্থিতি গ্ৰহণ কৰিছে বুলি কয় শ্ৰীনেটে। তেওঁ কয়, "উমৰাংছুৰ ১০ শ্ৰমিকৰ মৃত্যু হোৱাৰ পিছত অসমত এনে অবৈধ কাম নহয় বুলি উল্লেখ কৰা হৈছিল। আকৌ ২৪ ঘণ্টাৰ পিছত অবৈধ খনন বন্ধ কৰিবলৈ কোৱা হয়। এয়া পৰস্পৰ বিৰোধী কথা। সকলোৱে জানে যে উমৰাংছুৰ পৰা প্ৰায় ৫ হাজাৰ শ্ৰমিক ঘৰা-ঘৰি গৈছে। গোৱালপাৰা, ধুবুৰী, মৰিগাঁও, বৰপেটালৈ উভতি যোৱা শ্ৰমিকসকল ক'ৰ পৰা আহিল? নেচনেল গ্ৰীণ ট্ৰিবিউনেল, উচ্চতম ন্যায়ালয়ে তেনে খনন সম্পূৰ্ণৰূপে বন্ধ কৰি ৰাখিছে। আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে নিজাববীয়াকৈ ব্যৱস্থা লৈছে। আজিও অসমত কয়লা খনন কৰি থকা হৈছে। এনে খনন প্ৰাকৃতিক পৰিৱেশ, ৰাজহ আৰু অসমৰ জনগণৰ বাবে বিপজ্জনক। চৰকাৰে অবৈধ খনন চলি থকাৰ কথা স্বীকাৰ কৰি ইয়াৰ বিৰুদ্ধে ব্যৱস্থা লওক, আৰু যাতে কেতিয়াও অবৈধ খনন কৰা নহয় তাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰক। যাতে সাধাৰণ লোকৰ আৰু প্ৰাণ হানি নহয়।" বাজেটক লৈয়ো হিমন্ত চৰকাৰক আক্ৰমণৰ লক্ষ্য কৰি লয় শ্ৰীনেটে। তেওঁ কয়, "অসমত এনে এটা বিষয়ক লৈ মিছা কথা কৈ থকা হৈছে। সেয়া হৈছে বাজেট। যোৱাবাৰৰ বাজেটত নিৰ্ধাৰিত টকা খৰচ কৰিব পৰা নাই। জনজাতিৰ বাজেট কৰ্তন কৰা হৈছে। অসমৰ বন্যপ্ৰাণী, অসমৰ চিৰিয়াখানাৰ পৰা বন্যপ্ৰাণী লৈ গৈ থকা হৈছে। বিদ্যুতৰ মাচুলৰ বোজা দি আৰ্থিক ব্যৱস্থা ধ্বংস কৰা হৈছে। অবৈধ খননৰে পাৰিপাৰ্শ্বিকতা ধ্বংস কৰা হৈছে। স্মাৰ্ট মিটাৰ লগাই জনসাধাৰণৰক বিদ্যুতৰ মাচুল বৃদ্ধি কৰি বোজা জাপি দিয়া হৈছে। এনে বিষয়বোৰৰ বিৰুদ্ধে ৰাইজে আন্দোলন কৰিলে আৰক্ষীয়ে বৰ্বৰতাৰে আন্দোলন দমন কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দলত প্ৰভাৱ কমি অহা বুলি দাবী কৰি শ্ৰীনেটে কয় যে ঝাৰখণ্ডত প্ৰচাৰ চলাবলৈ গৈ মুখ্যমন্ত্ৰীয়ে মুখেথেকেচা খাইছে। ঝাৰখণ্ডত পৰাজিত হোৱাত দলত প্ৰভাৱ কমি আহিছে। আজি এইগৰাকী মুখ্যমন্ত্ৰীৰ কথা দেশৰ যিকোনো এটা প্ৰান্তত মানুহক প্ৰশ্ন কৰিলে সৰু ল'ৰা এটায়ো ক'ব যে সকলোতকৈ ভ্ৰষ্টাচাৰী মুখ্যমন্ত্ৰীয়েই হৈছে হিমন্ত বিশ্ব শৰ্মা। পঞ্চায়ত আৰু বিধানসভা নিৰ্বাচনত সুন্দৰকৈ ৰাইজে প্ৰত্যুত্তৰ দিব বুলিও তেওঁ কয়। আজিৰ সংবাদমেলত কুম্ভমেলাত পদপিষ্ট হৈ নিহত লোকসকলৰ আত্মাৰ সদ্গতি কামনা কৰাৰ লগতে পৰিয়ালক সমবেদনা জ্ঞাপন কৰি আশু-আৰোগ্য কামনা কৰে শ্ৰীনেটে। তেওঁ কয়, "উত্তৰ প্ৰদেশৰ বিজেপি চৰকাৰে সাধাৰণ ভক্ত আৰু ভিআইপি ভক্তৰ মাজত বিভাজন কৰা বাবে এইধৰণৰ অঘটন ঘটিছে।" উল্লেখ্য যে, পুৱা গুৱাহাটীত উপস্থিত হৈ শ্ৰীনেটে শক্তিপীঠ কামাখ্যা পৰিদৰ্শন কৰি আশীষ লয়। ইয়াৰ পিছতে ৰাজ্যখনৰ বিভিন্ন জিলাৰ পৰা অহা প্ৰদেশ কংগ্ৰেছৰ ছ'চিয়েল মিডিয়া বিভাগৰ কেবাশ প্ৰতিনিধিৰ লগত এক আলোচনাত মিলিত হয় আৰু ছ'চিয়েল মিডিয়াত কংগ্ৰেছক অধিক শক্তিশালী কৰাৰ লগতে হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰসমূহ ছ'চিয়েল মিডিয়াৰ জৰিয়তে ৰাইজৰ ওচৰলৈ লৈ যোৱাৰ কৌশলসমূহ অৱগত কৰে জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰীগৰাকীয়ে। শ্ৰীনেটে কয়, "আমি মহাত্মা গান্ধীৰ নীতি-আদৰ্শৰে চলা কংগ্ৰেছী। দেশ স্বাধীন কৰা কংগ্ৰেছী। আমি জৱহাৰলাল নেহৰুৰ দৰে দেশ নিৰ্মাতা কংগ্ৰেছী। লৌহমানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ দৰে নেতাৰ নেতৃত্বত গঢ় লোৱা ১৪০ বছৰীয়া কংগ্ৰেছ দলৰ কৰ্মী।" মৌলানা আবুল কালাম আজাদকো তেওঁ শ্ৰদ্ধাসহকাৰে স্মৰণ কৰে। ইফালে, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাই সামাজিক মাধ্যম বিভাগৰ কংগ্ৰেছৰ প্ৰতিনিধিসকলক সম্বোধন কৰি অসম চৰকাৰৰ অনিয়ম, অনীতি আৰু গণতন্ত্ৰৰ প্ৰতি অনা ভাবুকিক মোকাবিলা কৰিবলৈ কংগ্ৰেছৰ ছ'চিয়েল মিডিয়াৰ কৰ্মীসকলে কেনেদৰে কাম কৰিব লাগিব সেই সন্দৰ্ভত পৰামৰ্শ আগবঢ়ায়। ছ'চিয়েল মিডিয়া বিভাগৰ জৰিয়তে কংগ্ৰেছক শক্তিশালী কৰা কৰ্মীসকলক প্ৰতিমাহে ১ লাখ টকাৰ পুৰস্কাৰ দিয়া হ'ব বুলিও তেওঁ ঘোষণা কৰে। বিয়লিৰ ভাগলৈ শ্ৰীনেটে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা, বিষয়ববীয়া আৰু মুখপাত্ৰসকলৰ লগত মত বিনিময় কৰে। এই অনুষ্ঠানত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সামাজিক মাধ্যম বিভাগৰ সমন্বয়ক সায়ন্তনী ৰয় আৰু ৰুচিৰা চতুৰ্বেদীৰ লগতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ প্ৰাক্তন সভাপতি ৰিপুণ বৰা, মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, ছ'চিয়েল মিডিয়া বিভাগৰ অধ্যক্ষ ৰাতুল কলিতা, কংগ্ৰেছৰ জ্যেষ্ঠ উপ-সভাপতি নৃপেন ঠাকুৰীয়া, ৰূপা দেউৰী, বালিকা লাহন পেগু, সাধাৰণ সম্পাদক শৈলেন সোণোৱাল, ৰাজেশ যোশী, বিপুল গগৈকে প্ৰমুখ্যে কৰি বহুকেইজন নেতা-কৰ্মী উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ছৌদি আৰৱত দুৰ্ঘটনাত নিহত ৯জন

৯ গৰাকী ভাৰতীয় নাগৰিকে। পশ্চিম জিজান চহৰৰ বয়ছ অঞ্চলত সংঘটিত হয় এই ভয়ংকৰ দুৰ্ঘটনা। ভাৰতীয় দূতাবাসে জনোৱা মতে, এই দুৰ্ঘটনাত আৰু ১১ জন ভাৰতীয় নাগৰিক আহত হৈছে। আহতসকলৰ কিছু সংখ্যকৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। আহতসকলক জিজানৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। বুধবাৰে জেদ্দাত থকা ভাৰতীয় দূতাবাসে এই খবৰ প্ৰকাশ কৰি শোক প্ৰকাশ কৰে। ভাৰতীয় দূতাবাসে এক বিবৃতিত লিখিছে, "চৌদি আৰৱৰ জিজান চহৰৰ সমীপত সংঘটিত ভয়ানক পথ দুৰ্ঘটনাত ৯ জন ভাৰতীয় নাগৰিকৰ কৰুণ মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰিছো। মৃতকৰ পৰিয়াললৈ আমি আন্তৰিক সমবেদনা জ্ঞাপন কৰিছো। আমি ছৌদি কৰ্তৃপক্ষ আৰু ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে যোগাযোগত আছো আৰু আমাৰ সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছো।" সূত্ৰৰ পৰা জানিব পৰা মতে, ২৬ জন যাত্ৰী কঢ়িয়াই অনা এখন ভ্যানৰ বিপৰীত দিশৰ পৰা অহা ট্ৰেইলাৰৰ সৈতে মুখামুখি সংঘৰ্ষ ঘটে। যাৰ ফলত ৯ জন যাত্ৰীৰ থিতাতে মৃত্যু ঘটাৰ বিপৰীতে আনসকল আহত হয়। ইফালে দুৰ্ঘটনাৰ খবৰ পোৱাৰ পিছতে ভাৰত চৰকাৰে ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰে। বৈদেশিক মন্ত্ৰী এছ জয়শংকৰে টুইটযোগে শোক প্ৰকাশ কৰি কয়, "জেদ্দাত আমাৰ কনছুল জেনেৰেলৰ সৈতে কথা পাতিছো। তেওঁ মৃত আৰু আহতসকলৰ পৰিয়ালৰ সৈতে যোগাযোগত আছে আৰু সকলো সহায় নিশ্চিত কৰিছে।" ভাৰতীয় দূতাবাসে লগতে কয় যে দুৰ্ঘটনাটোত নিহতসকলৰ পৰিয়ালৰ বাবে বিশেষ হেল্পলাইন মুকলি কৰা হৈছে, য'ত তেওঁলোকে তথ্য আৰু সহায়ৰ বাবে যোগাযোগ কৰিব পাৰে। ছৌদি কৰ্তৃপক্ষৰ সমন্বয়ত সকলো আইনী আৰু প্ৰশাসনিক পদ্ধতি ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰাৰ কাম চলি আছে। মৃত লোকসকলৰ অধিকাংশই জীৱিকাৰ বাবে ছৌদি আৰৱত কাম কৰি থকা শ্ৰমিক বুলি জানিব পৰা গৈছে। ইফালে ছৌদি প্ৰশাসনে এই দুৰ্ঘটনাৰ প্ৰকৃত কাৰণৰ তদন্ত অব্যাহত ৰাখিছে। স্থানীয় আৰক্ষীয়ে দুৰ্ঘটনাটো কেনেকৈ সংঘটিত হ'ল তাৰ তদন্ত কৰি থকা বুলি জানিবলৈ দিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মৌনী অমাৱস্যাৰ নিশা মহাকুম্ভত

পৰিস্থিতিত মঙলবাৰে নিশা পদপিষ্ট হৈ মৃত্যুক সাৱটিবলগীয়া হ'ল বহু ভক্তই। এই ঘটনাত আহত হৈছে মহিলা আৰু শিশুকে ধৰি বহু পূণ্যাৰ্থীও। মহাকুম্ভ সংঘটিত এই ভয়ংকৰ ঘটনাৰ পিছতে উত্তৰ প্ৰদেশৰ যোগী প্ৰশাসনে পৰিস্থিতি সঠিকভাৱে নিয়ন্ত্ৰণ কৰিব নোৱাৰাৰ অভিযোগ উত্থাপন হৈছে। চৰকাৰী বিৱৰণী আৰু প্ৰত্যক্ষদৰ্শীৰ দাবীৰ পাৰ্থক্য থকাৰ বাবে মৃত্যুৰ সংখ্যাক লৈ বিভ্ৰান্তিৰ সৃষ্টি হৈছে। ইতিমধ্যে মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে আৰু মৃতকৰ পৰিয়ালৰ ক্ষতিপূৰণৰ কথা ঘোষণা কৰিছে। মঙলবাৰে নিশা প্ৰায় ২ বজাত গংগা, যমুনা আৰু সৰস্বতীৰ সংগমস্থলীৰ ত্ৰিৱেণী সংগমত সৃষ্টি হয় লাখ লাখ লোকৰ ভিৰ। ভক্তৰ ভিৰৰ কথা অনুমান কৰি পূৰ্বেই এক কিলোমিটাৰ নিলগত বাঁহৰ বেৰিকেড স্থাপন কৰিছিল প্ৰশাসনে। বেলেগ বেলেগ আখাড়াৰ বাবে বেলেগ বেলেগ পথৰো ব্যৱস্থা কৰা হৈছিল। নিশা দহ বজাৰ পৰাই ভক্তৰ আগমণ আগমণ আৰম্ভ হোৱা সংগমস্থলীত সময়ৰ লগে পৰিস্থিতি জটিল হ'বলৈ আৰম্ভ কৰে। বহু ভক্তই অমৃত স্নানৰ পিছত তাতেই ৰৈ দিয়ে আৰু আন একাংশই আনকি মাটিত প্লাষ্টিক পাৰি শুবলৈও আৰম্ভ কৰে। যাৰ বাবে ২ বজালৈকে ভিৰ চৰম পৰ্যায়ত উপনীত হয়। এফালে বিভিন্ন আখৰাৰ পৰা বাহিৰ কৰা শোভাযাত্ৰা, আনফালে সাধাৰণ তীৰ্থযাত্ৰীসকলে সংগম স্থানত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰাৰ ফলত প্ৰশাসনে পৰিস্থিতিৰ ওপৰত সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ হেৰুৱাই পেলায়। বৃহৎ সংখ্যক লোক বেৰিকেডৰ সন্মুখত হেঁচা ঠেলা কৰাত বেৰিকেড ভাঙি পৰে। পৰিণতিত চৰম বিশৃংখলতাৰ সৃষ্টি হয়। সন্মুখত থিয় হৈ থকা বহু লোক পিছফালৰ পৰা অহা প্ৰবল ভিৰৰ হেঁচাত বাগৰি পৰে। মাটিত পৰি যোৱা বহু লোক আৰু থিয় হ'বলৈ সক্ষম নহ'ল। প্ৰচণ্ড ভিৰত বহু লোক শ্বাসৰুদ্ধ হৈ পৰাৰ বিপৰীতে আন একাংশৰ গাৰ ওপৰেৰেই পাৰ হৈ যায় হাজাৰ হাজাৰ মানুহ। পৰিস্থিতিয়ে এনে ভয়ানক ৰূপ লোৱাত নিমিষতে আতংক বিয়পি পৰে, মানুহে প্ৰাণ ৰক্ষাৰ বাবে দৌৰিবলৈ ধৰে আৰু ফলত পৰিস্থিতি আৰু ভয়াৱহ হৈ পৰে। চৰকাৰী সূত্ৰ অনুসৰি এই ঘটনাত এতিয়ালৈকে ৩৯ জন লোকৰ মৃত্যু হোৱাৰ বিপৰীতে কমেও ১৫০ জন লোক আহত হৈছে। অৱশ্যে স্থানীয় বাসিন্দা আৰু প্ৰত্যক্ষদৰ্শীয়ে কয় যে মৃত্যুৰ সংখ্যা আৰু অধিক হ'ব পাৰে। বহুতে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ চিকিৎসালয়ত ভৰ্তি হৈ আছে, আৰু বহুতৰে অৱস্থা সংকটজনক। আহতসকলৰ অধিকাংশই মহিলা, বৃদ্ধ আৰু শিশু। ত্ৰিৱেণী সংগমৰ এই ভিৰৰ মাজতে পদপিষ্ট হৈ মৃত্যুক সাৱটে অসমৰো এজন লোকে। জানিব পৰা মতে, হাইলাকান্দিৰ ব্যৱসায়ী নীতিৰঞ্জন পালেও মঙলবাৰে নিশা ত্ৰিৱেণী সংগমত মৌনী অমাৱস্যাৰ অমৃত স্নান কৰিবলৈ গৈছিল। কিন্তু প্ৰচণ্ড ভিৰৰ মাজত গুৰুতৰভাৱে আহত হয় পাল। পিছত তেওঁক সংকটজনক অৱস্থাত হাস্পতাললৈ নিয়া হয় যদিও চিকিৎসাধীন অৱস্থাতে মৃত্যু ঘটে নীতিৰঞ্জন পালৰ। তেওঁৰ মৃত্যু নিশ্চিত কৰিছে পৰিয়ালৰ লোকে। ইফালে, এই ঘটনাৰ পিছত বহু লোক এতিয়াও নিৰুদ্দেশ হৈ আছে, আৰু পৰিয়ালৰ লোকে বিভিন্ন চিকিৎসালয়ত তেওঁলোকক বিচাৰিছে, আৰু মেলাস্থলীত মাইক্ৰ'ফোনৰ জৰিয়তে নাম ঘোষণা কৰা হৈছে। বহু লোকে হাতত নিজৰ পৰিয়ালৰ সদস্যৰ ছবি লৈ মেলাত ঘূৰি ফুৰিছে আপোনজনক বিচাৰি। ইফালে, দুৰ্ঘটনাটোৰ খবৰ পোৱাৰ লগে লগে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীয়ে সেই স্থানত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। গোটেই নিশা সেনা, আৰক্ষী, অৰ্ধসামৰিক বাহিনীয়ে উদ্ধাৰ অভিযান চলায়। ততাতৈয়াকৈ আহতসকলক ওচৰৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। স্থানীয় প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হয়, কেইবাটাও প্ৰৱেশদ্বাৰ বন্ধ কৰি দিয়া হয়, আৰু ভিৰ কমোৱাৰ বাবে মেলাত অতিৰিক্ত আৰক্ষী বাহিনী মোতায়েন কৰা হয়। প্ৰশাসনে সাধাৰণ ৰাইজক শান্তি বজাই ৰাখিবলৈ আহ্বান জনোৱাৰ লগতে ভিৰ নিয়ন্ত্ৰণৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰে। ইফালে, এই দুৰ্ঘটনাৰ পিছত মহাকুম্ভ মেলাৰ নিৰাপত্তাৰ ব্যৱস্থাক লৈ ডাঙৰ ডাঙৰ প্ৰশ্ন উত্থাপন হৈছে। ইমান বৃহৎ ধৰ্মীয় সমাৱেশৰ বাবে পৰ্যাপ্ত প্ৰস্তুতি চলোৱা হৈছিল নে নাই বুলিও প্ৰশ্ন উত্থাপন হৈছে। বিৰোধী ৰাজনৈতিক দলসমূহে প্ৰশাসনৰ ব্যৰ্থতাক সমালোচনা কৰিছে। কংগ্ৰেছ আৰু সমাজবাদী পাৰ্টিয়ে এই ঘটনাক "প্ৰশাসনিক গাফিলতিৰ পৰিণাম" বুলি অভিহিত কৰি দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। ইমান বৃহৎ অনুষ্ঠানৰ বাবে পৰ্যাপ্ত নিৰাপত্তা আৰু পৰ্যাপ্ত আন্তঃগাঁথনি নাই বুলি অভিযোগ কৰে বিৰোধীয়ে। সমাজবাদী পাৰ্টিয়ে অভিযোগ কৰে তীৰ্থযাত্ৰীৰ সোঁত নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীৰ উপস্থিতি পৰ্যাপ্ত নাছিল, যাৰ ফলত জনসমাগম বাঢ়ি যোৱাৰ লগে লগে প্ৰশাসনে সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ হেৰুৱাই পেলায়। আনহাতে, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে এই ঘটনাক অত্যন্ত দুখজনক বুলি অভিহিত কৰি আহতসকলক শীঘ্ৰে চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ মৃতকৰ পৰিয়ালক ৫ লাখ টকা আৰু আহতক ৫০ হাজাৰ টকা ক্ষতিপূৰণ দিয়াৰ কথা ঘোষণা কৰে। লগতে দুৰ্ঘটনাটোৰ সম্পূৰ্ণ তদন্তৰ নিৰ্দেশ দিয়াৰ লগতে প্ৰশাসনিক গাফিলতিৰ বাবে দায়ীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এই দুৰ্ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। উত্তৰ প্ৰদেশ চৰকাৰৰ সৈতে কথা পাতি তেওঁ উদ্ধাৰ অভিযান ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে আৰু আহতসকলৰ চিকিৎসাক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনায়। মঙলবাৰৰ এই মৰ্মান্তিক ঘটনাৰ পিছতে সাময়িকভাৱে ত্ৰিৱেণী সংগম বন্ধ কৰি দিয়া হয় যদিও বুধবাৰে বিয়লিলৈকে পৰিস্থিতি পুনৰ স্বাভাৱিক হৈ পৰিছে। কিন্তু ইয়াৰ মাজতে এতিয়াও বহু লোকে নিজৰ আপোনজনক বিচাৰি হাহাকাৰ কৰি ফুৰিছে। নিৰুদ্দেশ হোৱা লোকসকলৰ সন্ধানত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে প্ৰশাসনে। আহতসকলৰ চিকিৎসা অব্যাহত আছে।

# থাইলেণ্ডৰ কোম্পানীলৈ ৰঙা দলিচা, গাহৰি পালক সন্থাৰ ধৰ্মঘট

**ই-সংবাদ, শিৱসাগৰ, ২৯ জানুৱাৰীঃ** অসমত গাহৰি পালনেৰে হেজাৰ হেজাৰ পৰিয়ালে উপাৰ্জনৰ বাট মুকলাই থকাৰ সময়তে নামি আহিছে সংশয়। থলুৱা গাহৰি পালকসকলৰ মূৰত মাধমাৰ মাৰি অসমত গাহৰিৰ ব্যৱসায় কৰিবলৈ থাইলেণ্ডৰ এটা বিয়াগোম কোম্পানী তথা গ্ৰুপক চৰকাৰে বাট মোকলাই দিবলৈ লোৱা বুলি শেহতীয়াকৈ তথ্য পোহৰলৈ অহাৰ পিছৰে পৰা শংকিত হৈ পৰিছে থলুৱা পালকসকল। ইয়াৰ পাৰিপেক্ষিতত আজি শিৱসাগৰ দৌলমুখ চাৰিআলিত কৃষক মুক্তি সংগ্ৰাম সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু সদৌ অসম গাহৰি পালক সন্থাই একত্ৰিতভাৱে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। অসম চৰকাৰে অসমৰ গাহৰিৰ বজাৰখন থাইলেণ্ডৰ পুঁজিপতি চাৰোৱেন পকফাণ্ড নামৰ গ্ৰুপটোক গতাই দিয়াৰ যোজা কৰিছে। এডভাণ্টেজ আছামৰ আওতাত অসমৰ গাহৰি বজাৰখন এই কোম্পানীক প্ৰদান কৰাৰ লগে লগে অসমৰ থলুৱা গাহৰি পালকসকলৰ পেটৰ ভাত মৰা যাব। ইয়াকে লৈ আজি সৰৱ হৈ পৰে সংগঠনকেইটা। সংগঠনকেইটাৰ শতাধিক কৰ্মী তথা বিষয়ববীয়াই দৌলমুখ চাৰিআলিত অৱস্থান কৰি থলুৱা গাহৰি পালকৰ মুখৰ ভাত কাঢ়ি খোৱা ষড়যন্ত্ৰ বন্ধ কৰক, বহিৰাগত পুঁজিপতি লৈ ৰঙা দলিচা পৰা বন্ধ কৰক, থলুৱা বিৰোধী নীতি পৰিহাৰ কৰক, বিজেপি চৰকাৰ মুৰ্দাবাদ আদি শ্লোগান দি পৰিৱেশ উত্তাল কৰে। সংগঠনকেইটাই চৰকাৰে অসমত থাইলেণ্ডৰ গ্ৰুপক গাহৰিৰ ব্যৱসায় কৰিবলৈ অনুমতি দিয়া সিদ্ধান্ত লোৱাৰ পৰা বিৰত থাকিবলৈ সকিয়াই দিয়ে। কিয়নো চিপি গ্ৰুপক যদি অসমৰ গাহৰি বজাৰখন গতাই দিয়া হয় তেন্তে অসমৰ থলুৱা গাহৰি পালক সকলৰ অৱস্থা বৰ্তমানৰ ব্ৰয়লাৰ পালকসকলৰ দৰে হোৱা নিশ্চিত। থলুৱা পালক সকলে এই পুঁজিপতি গ্ৰুপৰ পৰা গাহৰিৰ পোৱালি-দানা-ঔষধ আদি ক্ৰয় কৰি গাহৰি পোহপাল দিব যদিও অনাগত দিনত কম মূল্যত গাহৰি কোম্পানীক বিক্ৰী কৰিবলৈ বাধ্য হ'ব। ফলত ভৱিষ্যতৰ দিনত গাহৰি পালকসকল লোকচানৰ সন্মোখীন হোৱা নিশ্চিত। উল্লেখযোগ্য যে পিচি গ্ৰুপে ইতিমধ্যে চীন আৰু দক্ষিণ পূৱ এচিয়াৰ বজাৰ দখল কৰি সেই দেশ সমূহৰ গাহৰি পালনৰ গ্ৰাম্য অৰ্থনীতি শেষ কৰি পেলাইছে। এই সন্দৰ্ভত কৃষক মুক্তিৰ মুখ্য সাংগঠনিক সম্পাদক ৰিতুমণি হাজৰিকাই কয় যে বিজেপি চৰকাৰখন থলুৱা বিৰোধী। কমিচনৰ লোভত পৰি চৰকাৰে বহিৰাগত কোম্পানীলৈ দৰদ দেখুৱাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত পীয়ুষ হাজৰিকাৰ পুত্তলিকা

বুলি অভিযোগ উত্থাপন কৰি সৰৱ হৈ পৰিছে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থা। অনুসূচীত জাতিৰ ৰাইজক অন্ধকাৰত ৰাখি আঁচনি কৰ্তন কৰা বুলি উল্লেখ কৰি সন্থাই আজি শিৱসাগৰ নগৰৰ দ'লমুখ চাৰিআলিত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। কেবিনেট মন্ত্ৰী পিযুষ হাজৰিকাৰ প্ৰতিকৃতি দাহ কৰি প্ৰতিবাদ কৰে সন্থাই। অনুসূচিত জাতি ছাত্ৰ সন্থাই অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী পীযুষ হাজৰিকাক 'দালাল' আখ্যা দি অনুসূচিত জাতিৰ জনতাক প্ৰতাৰণা কৰা বুলি ক্ষোভ প্ৰকাশ কৰে। সন্থাৰ সাধাৰণ সম্পাদক পৰশজ্যোতি দাসসহ কৰ্মী তথা বিষয়ববীয়াসকলে বিজেপি চৰকাৰ হায় হায়, ৰাইজক প্ৰতাৰণা কৰা বন্ধ কৰক, পীযুষ হাজৰিকা হুঁচিয়াৰ আদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। তদুপৰি প্ৰতিকৃতি দাহৰ সময়তে আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত হতাহতিৰো সৃষ্টি হয়। অনুসূচিত জাতিৰ সম্পদ আৰু অধিকাৰ বিজেপি চৰকাৰে কাঢ়ি নিয়া বুলি ক্ষোভ প্ৰকাশ কৰে। অনুসূচিত জাতিৰ প্ৰাপ্য আৰু অধিকাৰক লৈ হেতালি নেখেলিবলৈ সকিয়াই দি অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সভাপতি পৰশজ্যোতি দাসে অনুসূচিত জাতিৰ বাবে ধাৰ্য কৰা আঁচনিসমূহ বাহাল ৰাখিবলৈ দাবী জনায়। তেওঁ কয়, "বিজেপি চৰকাৰে উন্নয়নৰ নামত ফটা ঢোল বজাইয়ে ক্ষান্ত থকা নাই, ইতিপূৰ্বে গ্ৰহণ কৰা উন্নয়নমূলক আঁচনিও বন্ধ কৰিবলৈ হেতা-ওপৰা লগাইছে। ৰাইজক আভুৱা ভাবি বৰ বৰ শ্ল'গান দিয়া মন্ত্ৰী পীযুষ হাজৰিকা অনুসূচিত জাতিৰ এক প্ৰকাৰৰ শত্ৰু। অতি শেহতীয়াকৈ অনুসূচিত জাতিৰ উপ-পৰিকল্পনা আঁচনিসমূহ নিঃশেষ কৰি দিয়াৰ ষড়যন্ত্ৰত লিপ্ত হৈছে চৰকাৰখন। শাসনাধিষ্ঠিত চৰকাৰখন দালাল আৰু চিণ্ডিকেটৰ চৰকাৰ। চৰকাৰে ঋণৰ বোজা হ্ৰাস কৰিবলৈ অনুসূচিত জাতিৰ আঁচনিসমূহক অস্ত্ৰ হিচাবে লৈছে। ইতিমধ্যে আঁচনিৰ নামত দুৰ্নীতি কৰি অনুসূচিত জাতিৰ উন্নয়নৰ ধন গো-গ্ৰাসে গিলি পেলাইছে। শেহতীয়াকৈ অনুসূচিত জাতিৰ উপ-পৰিকল্পনা আঁচনিসমূহ কৰ্তন কৰি অনুসূচিত জাতিৰ কফিনৰ শেষৰটো গজাল মাৰিছে চৰকাৰখনে। তেওঁলোকে কেৱল মিথ্যাচৰৰ আশ্ৰয় লৈ অনুসূচিত জাতিটোৰ ঠগ আৰু প্ৰবঞ্চনাৰে লুট-পাত কৰি আছে। কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া আঁচনিও সঠিকভাৱে ৰূপায়ণ নকৰে। অনুসূচিত জাতিৰ বাবে ধাৰ্য্য হোৱা ধনৰ অধিক সংখ্যক অন্যান্য শিতান অথবা নিজৰ পকেটত ভৰোৱাৰ ক্ৰিয়াকলাপ অব্যাহত ৰাখিছে চৰকাৰখনে। অনুসূচিত জাতিৰ বাবে ধাৰ্য্য হোৱা ধন ১০০ শতাংশ অনুসূচিত জাতিৰ বাবে খৰচ কৰক। অন্যথা আমি প্ৰতিবাদ অব্যাহত ৰাখিম বুলি সকীয়াই দিয়ে সংগঠনটোৱে। কাৰ্যসূচীত সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি বিতু দাস, সম্পাদক অভিজিত দাসেও ভাগ লয়।

# হাতীচোঙৰ বিশিষ্ট সমাজসেৱী, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অৱসৰী বিষয়া প্ৰতাপ সভাপণ্ডিতৰ পৰলোক

**ই-সংবাদ, বেৰেজীয়া, ২৯ জানুৱাৰীঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাটৰ ব্ৰাহ্মণগাঁৱৰ নিবাসী বিশিষ্ট সমাজসেৱী, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অৱসৰী বিষয়া, উচ্চ শিক্ষিত ব্যক্তি প্ৰতাপ সভাপণ্ডিতৰ মঙলবাৰে নিশা প্ৰায় ১২ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত জীৱনাৱসান ঘটে। বিগত এবছৰমানৰ পৰা এক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হোৱা প্ৰতাপ সভাপণ্ডিতে দিল্লী আৰু গুৱাহাটীৰ চিকিৎসালয়ত চিকিৎসা গ্ৰহন কৰাৰ পিছত সম্প্ৰতি চিকিৎসকৰ পৰামৰ্শমতে ঘৰতে চিকিৎসা গ্ৰহন কৰি আছিল। কিন্তু পাঁচদিন পূৰ্বে তেওঁ হঠাতে গুৰুত্বৰভাৱে অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰায় যদিও মৃত্যুৰ সৈতে যুঁজি যুঁজি অৱশেষত চিকিৎসাধীন অৱস্থাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ। চকলাঘাটৰ ব্ৰাহ্মণগাঁৱৰ এক সম্ভ্ৰান্ত পৰিয়ালত ১৯৬০ চনত জন্মগ্ৰহন কৰা প্ৰতাপ সভাপণ্ডিতে স্থানীয় গান্ধীজী প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলি পিছত চকলাঘাট হাইস্কুলত এবছৰ অধ্যয়ন কৰোতেই গোৱালপাৰাৰ সৈনিক স্কুলত পঢ়িবলৈ সুবিধা পায়। সৰুৰে পৰা প্ৰচুৰ মেধা শক্তিৰ অধিকাৰী প্ৰতাপ সভাপণ্ডিতে সৈনিক স্কুলৰ পৰা সুখ্যাতিৰে মেট্ৰিক পাছ কৰি আহি নগাঁও কলেজৰ পৰা দুটা বিষয়ত লেটাৰ লৈ প্ৰি-ইউনিভাৰ্চিটিত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ পৰৱৰ্তী পৰ্যায়ত যোৰহাট আভিযান্ত্ৰিক কলেজৰ পৰা চিভিল ইঞ্জিনিয়াৰ স্নাতক ডিগ্ৰী লাভ কৰি জনস্বাস্থ্য কাৰিকৰী বিভাগত অভিযন্তা ৰূপে চাকৰিত যোগদান কৰে। অৱশ্যে অসমৰ বিভিন্ন ঠাইত চাকৰি জীৱন কটাই পদোন্নতি লাভ কৰি অৱশেষত ২০২১ চনত অতিৰিক্ত মুখ্য অভিযন্তা ৰূপে নগাঁৱৰ পৰা অৱসৰ গ্ৰহণ কৰি গুৱাহাটীৰ বাসিন্দা হয়। সমাজৰ উন্নতিৰ হকে কিবা এটা কৰাৰ হাবিহাস মনতে পুহি ৰখা প্ৰতাপ সভাপণ্ডিতে চাকৰিৰ ব্যস্ততাৰ মাজতো সমাজ সেৱাত নিজকে নিয়োজিত কৰি ৰাখিছিল। সকলোৰে মাজত 'ৰাণা' নামেৰে পৰিচিত প্ৰতাপ সভাপণ্ডিতে নিজৰ জন্মভূমিৰ শংকৰদেৱ বিদ্যা নিকেতন, নামঘৰ, সংঘকে ধৰি প্ৰায়বোৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে আৰ্তজনকো সহায়ৰ হাত আগবঢ়াই থৈ গৈছে। নগাঁও লায়ন্স ক্লাবৰ সভাপতিৰ দৰে গুৰু দায়িত্বও বহন কৰা প্ৰতাপ সভাপণ্ডিত বহু সামাজিক, শৈক্ষিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত থাকি সমাজৰ হকে সেৱা আগবঢ়াই আহিছিল। সকলোৰে লগত বন্ধুসুলভ আচৰণ কৰি চলা সৎ, অমায়িক আৰু সৰল প্ৰকৃতিৰ সৰবৰহী ব্যক্তি প্ৰতাপ সভাপণ্ডিতৰ বিয়োগত জন্মভূমি চকলাঘাটৰ লগতে সমগ্ৰ জিলাখনতে শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। তেওঁ মৃত্যুৰ সময়ত পত্নী, দুগৰাকী জীয়ৰীকে ধৰি বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।

# অচিনাক্ত মৃতদেহৰ শেষকৃত্য কৰাৰ সিদ্ধান্ত মহানগৰ আৰক্ষীৰ

**ই-সংবাদ, ২৯ জানুৱাৰীঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ মৰ্গত পৰি ৰোৱা এজন অচিনাক্ত যুৱকৰ মৃতদেহ আজি আৰক্ষীয়ে শেষকৃত্য সম্পন্ন কৰিব বুলি জানিব পৰা গৈছে। মহানগৰ আৰক্ষীৰ যান-বাহন শাখাৰ পৰা জানিব পৰা মতে, কোনো অভিভাৱক নোলোৱাত অৱশেষত মৰ্গৰ পৰা মৃতদেহটো নি শেষকৃত্য সম্পন্ন কৰাৰ সিদ্ধান্ত লোৱা হৈছে। প্ৰায় ১৮ দিনৰ মূৰকত আৰক্ষীয়ে সকলো নিৰ্দেশনা পালন কৰি কাইলৈ মৃতদেহটোৰ শেষকৃত্য কৰিব। কিয়নো মৃতদেহ চমজি ল'বলৈ কোনো অভিভাৱক অহা নাছিল আৰু আৰক্ষীয়েও মৃতদেহটো ২৮ জানুৱাৰী পৰ্যন্ত চিনাক্ত কৰিব নোৱাৰিলে। গুৱাহাটী মহানগীৰত ১২ জানুৱাৰীৰ পুৱতি নিশা সংঘটিত হৈছিল এক ভয়ংকৰ পথ দুৰ্ঘটনা। পথ দুৰ্ঘটনাত অচিনাক্ত যুৱকজনৰ মৃত্যু হৈছিল। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ নিয়া হৈছিল যদিও কিছু সময় পিছতে মৃত্যুক আকোৱালি লৈছিল যুৱকজনে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত মৃতদেহটো গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ মৰ্গত আছে যদিও এই পৰ্যন্ত আৰক্ষীয়ে চিনাক্ত কৰিব পৰা নাই আৰু অভিভাৱকে আৰক্ষীৰ সৈতে যোগাযোগ কৰা নাই। যাৰ বাবে বিমোৰত পৰি গুৱাহাটী আৰক্ষীয়ে এই সিদ্ধান্ত লৈছে। জানিব পৰা মতে, ১২ জানুৱাৰীৰ পুৱা বশিষ্ঠ আৰক্ষী থানাৰ অন্তৰ্গত ২৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ বেহাৰবাৰী উৰণীয়া সেঁতুত এখন তীব্ৰবেগী অল্টই ৰখাই থোৱা বাঁহ ভৰ্তি পিকআপ ভানত খুন্দা মাৰিছিল। ফলত দুয়োখন বাহনত থকা তিনিজন লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আঘাতপ্ৰাপ্ত আটাইকেইজন লোকক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছিল যদিও অচিনাক্ত যুৱকজনৰ মৃত্যু হয়। প্ৰায় ৩০ বছৰীয়া অচিনাক্ত যুৱকজনে লংপেণ্ট আৰু এটা হাফ জেকেট পিন্ধি আছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছিল যদিও আজি পৰ্যন্ত অভিভাৱক নোলাল।

# কটা যোৱা নাক খাৰণী দি ঢাক... গুৱাহাটীত এতিয়া নিশাও খোলা থাকে স্কুল!




**ই-সংবাদ, ২৯ জানুৱাৰীঃ** কথাই কথাই উন্নয়নৰ ফুলজাৰি মাৰি আহিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মন্ত্ৰীকেইজন, বিধায়ককেইজনৰ কথা ক'বই নালাগে। মন্ত্ৰী-বিধায়ককেইজনৰ মতে, অসমত এতিয়া উন্নয়নৰ গংগা বৈছে। চৌদিশে কেৱল উন্নয়ন আৰু নাই। সভাই-সমিতিয়ে মাইকটো আগত পালেই ভাষণত কেৱল উন্নয়ন আৰু উন্নয়নৰ শ্ল'গান। কিন্তু এইখন চৰকাৰে নিজৰে স্বৰূপ ঢাকিবলৈ দিনে-নিশাই এখন স্কুলত কাম কৰিবলৈ বাধ্য হৈছে। কিয়নো বছৰ বছৰ ধৰি উন্নয়নৰ মুখ নেদেখা গুৱাহাটীৰ কাহিলীপাৰৰ নৰকাসুৰ পাহাৰৰ এখন হাইস্কুলত এতিয়া ব্যাপক ব্যস্ততা। দিনে-নিশাই মানুহে কাম কৰিছে। শিক্ষক-শিক্ষয়িত্ৰী সকলো ব্যস্ত। কিয়নো দিল্লীৰ পৰা ডাঙৰ মানুহ আহিছে বিদ্যালয়খন চাবলৈ। মান-সন্মানৰ কথা আছে। সেয়েহে নিশাৰ ভিতৰতে স্কুল চেহেৰা সলনি কৰাত লাগিল প্ৰশাসন। প্ৰকৃত ঘটনা মতে, ২৮ জানুৱাৰীত সদনৰ সংসদ সদস্যৰ দ্বাৰা গঠিত স্থায়ী সমিতিৰ এটা সঁজাতী দল আহিছে অসমলৈ। সদনৰ স্থায়ী সমিতিৰ সদস্য হিচাপে আছে মণিপুৰৰ কংগ্ৰেছ সাংসদ, বিজেপিৰ অসমৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাও। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বাৰে বাৰে ঢাক-ঢোল বজাই থকা অসমৰ উন্নয়নৰ প্ৰকৃত ছবিখন চাবলৈ অহা সদনৰ স্থায়ী সমিতিক বিদ্যালয় দেখুৱাব লাগে। ১০জনীয়া সাংসদ সদস্যৰ দলটোক দেখুৱাবলৈ ঠিৰাং কৰা হৈছে গুৱাহাটীৰ মাজ-মজিয়াৰ কাহিলীপাৰৰ নৰকাসুৰ পাহাৰৰ জটিয়াৰ তিৰা নগৰ হাইস্কুলখন। সাংসদসকলক দেখুৱাবলৈ ঠিক কৰা আনখন বিদ্যালয় হ'ল সোণাপুৰৰ কপালকাতা প্ৰাথমিক বিদ্যালয়। দুয়োখন বিদ্যালয় পৰিদৰ্শন কৰিব বুলি খবৰ লাভ কৰি গাত তত নোহোৱা হ'ল শিক্ষা বিভাগ, কামৰূপ মহানগৰ প্ৰশাসন আৰু বিদ্যালয় দুখনৰ কৰ্তৃপক্ষৰ। সেই মতেই স্কুলখন পৰিদৰ্শন কৰিবলৈ আৰম্ভ কৰিলে বিয়াগোম আমোলাসকল। আমোলাসকলেৰ স্কুল অৱস্থা দেখি হতাবক। নাই ভাল চকী-মেজ, ডেস্ক বেঞ্চ। দেৱালৰ জৰাজীৰ্ণ অৱস্থা। এতিয়া কৰিব কি? লাচিত বৰফুকনৰ সূত্ৰ খটুৱাই হাতে-কামে লাগিল প্ৰশাসন, শিক্ষা বিভাগ আৰু স্কুল কৰ্তৃপক্ষ। নিশা স্কুললৈ আহিল ল'ৰা-ছোৱালীৰ বাবে ডেস্ক-বেঞ্চ। দেৱালবোৰ চাফ-চিকুণ কৰা হ'ল। হাতে হাতে ঝাড়ু ল'লে শিক্ষয়িত্ৰীয়ে। নিশা মাতি অনা হ'ল স্কুল চৌহদৰ কাষতে থকা অংগনবাড়ীৰ কৰ্মী-সহায়িকাক। স্কুলৰ লগতে অংগনবাড়ীৰ গৃহটোও পৰিস্কাৰ কৰাত লাগিল। যাতে দিল্লীৰ পৰা অহা সাংসদে পয়ালগা অৱস্থা দেখা নাপায়। সেই অৱস্থা দেখিলে যেন অসমৰ চৰকাৰৰ বিশেষকৈ মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ নাক-কাণ কটা যাব। যদি অসমৰ মানুহক সোধা হয় বীৰ লাচিত বৰফুকন বিখ্যাত কিয় বুলি তেতিয়া নিশাৰ ভিতৰত গড় বান্ধি শত্ৰুক ভেটা দিয়াৰ কথাকেই ক'ব। কিন্তু এতিয়া বীৰ লাচিত বৰফুকনৰ দৰেই বিষয়া ওলাইছে অসমত। এইখন অসমত নিশাৰ ভিতৰতে চুণ-তেল সানি চেহেৰা সলনি কৰিব পৰা বিষয়াৰ আবিৰ্ভাৱ হৈছে বুলি এতিয়া সৰ্বত্ৰে চৰ্চা চলিছে।

# ডিমাপুৰ ৰেল জংচনত ধলাৰ হাঁহখাটিৰ যুৱকৰ মৃতদেহ উদ্ধাৰ, পৰিকল্পিত হত্যাৰ সন্দেহ পৰিয়ালৰ



**ই-সংবাদ, ডুমডুমা, ২৯ জানুৱাৰীঃ** ডিমাপুৰ ৰেল জংচনত উদ্ধাৰ হৈছে তিনিচুকীয়া জিলাৰ ধলা আৰক্ষী থানাৰ অন্তৰ্গত হাঁহখাটি হালোৱাপথাৰ গাঁও নিৱাসী মোহন গোৱালা আৰু গায়ত্ৰী গোৱালাৰ কণিষ্ঠ পুত্ৰ ২৩ বছৰীয়া যুৱক বিনন গোৱালাৰ মৃতদেহ। জংচনটোৰ এখন যাত্ৰীবাহী ৰেলৰ শৌচালয়ত ডিঙিত চিপজৰী লৈ আত্মহত্যা কৰা বুলি ৰেল'ল আৰক্ষীয়ে সদৰী কৰিছে যদিওঁ পৰিয়ালৰ লোকে উক্ত ঘটনাক এক পৰিকল্পিত হত্যাকাণ্ড বুলি দাবী কৰিছে। ঘটনাৰ সন্দৰ্ভত পৰিয়ালৰ লোকে জানিবলৈ দিয়া অনুসৰি, এন চি চি নামৰ এটা ঠিকাদাৰী প্ৰতিষ্ঠানৰ চমছেৰ নামৰ এগৰাকী ঠিকাদাৰৰ অধীনত কাম কৰিছিল বিননে। ঠিকাদাৰ গৰাকীৰ অধীনত শেহতীয়াকৈ শিলচৰৰ কোনো এক ঠাইত কাম কৰি থকা বিননে যোৱা দীপাৱলীৰ পিছতেই ঘৰৰ পৰা প্ৰথমে গুৱাহাটী আৰু তাৰ পিছত শিলচৰলৈ গৈছিল। প্ৰায় ২ বছৰ ধৰি উক্ত ঠিকাদাৰ গৰাকীৰ অধীনত কাম কৰিছিল বিননে। কালি বিননে পৰিয়ালৰ লোকক ফোন কৰি ঘৰলৈ অহা বুলি জনাইছিল যদিওঁ আজি পুৱা বিননৰ মৃত্যু হোৱা বুলি জানিব পৰাত পৰিয়ালটিৰ মূৰত সৰগ ভাগি পৰাৰ দৰে হৈছে। পৰিয়ালৰ লোকৰ পৰা জানিব পৰা মতে, শেহতীয়াকৈ শিলচৰত কাম কৰি থকা বিননে শিলচৰত কাম কৰি ভাল পোৱা নাই বুলিও জনাইছিল পৰিয়ালৰ লোকক। ঘটনাৰ সন্দৰ্ভত পৰিয়ালৰ লোকে ঠিকাদাৰ গৰাকীক ফোন কৰাত ঠিকাদাৰ গৰাকীয়ে বিননে কামৰ ঠাইৰ পৰা পলাই যোৱা বুলি কৈয়ে দায়িত্ব সামৰে। ঘটনাৰ সন্দৰ্ভত পৰিয়ালৰ লোকে ঠিকাদাৰ গৰাকীৰ বিৰুদ্ধে ধলা আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে যদিওঁ যথোপযুক্ত সঁহাৰি লাভ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। এটি প্ৰায় ২ বছৰীয়া সন্তানৰ পিতৃ বিননৰ মৃত্যুৰ সন্দৰ্ভত বিননৰ পৰিয়ালে চৰকাৰক ঘটনাৰ উচিত তদন্তৰ লগতে দোষীক উপযুক্ত শাস্তিৰ দাবী তুলিছে। ঘটনাক লৈ আটছাৰ হাঁহখাটি উপ-শাখাইও প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। উপ-শাখা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি উপাছ গোৱালা আৰু সম্পাদক জিতেন উৰাঙে ঘটনাৰ সৈতে জড়িত ব্যক্তিক কৰায়ত্ত কৰাৰ দাবী তোলাৰ লগতে দুৰ্ভগীয়া পৰিয়ালটিক উচিত ক্ষতিপূৰণৰ দাবী তুলিছে। উল্লেখ্য যে, তিনিচুকীয়াৰ মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ নিৰ্মাণৰ সৈতেও জড়িত আছিল উক্ত এন চি চি নামৰ ঠিকাদাৰী প্ৰতিষ্ঠানটো, য'ত বিননেও এবছৰ কাম কৰিছিল প্ৰতিষ্ঠানটোত কৰ্মৰত চমছেৰ নামৰ ঠিকাদাৰগৰাকীৰ অধীনত। মুঠৰ ওপৰত মৃতদেহটোৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনতহে স্পষ্ট হ'ব ঘটনাটো আত্মহত্যা নে হত্যাকাণ্ড ? এইক্ষেত্ৰত ঠিকাদাৰগৰাকীক সঠিক জেৰা চলালেই ঘটনাৰ সকলো তথ্য ফাদিল হ'ব যদিওঁ এইক্ষেত্ৰত আৰক্ষী-প্ৰশাসনে কি ভূমিকা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব। ঘটনাক লৈ বৃহত্তৰ হাঁহখাটি অঞ্চলতে শোকৰ ছাঁ পৰিছে।

# ৰাজহুৱা শিক্ষা ব্যৱস্থাক লৈ ফ'ৰাম ফৰ ৰাইট টু এডুকেচনৰ প্ৰতিবাদী সভা

**ই-সংবাদ মহানগৰ সেৰা, ২৯ জানুৱাৰীঃ** চৰকাৰী উদ্যোগত ৰাজহুৱা শিক্ষা ব্যৱস্থা ধ্বংসৰ বিৰুদ্ধে দেশৰ ভিন্ন প্ৰান্তত অল ইণ্ডিয়া ফ'ৰাম ফৰ ৰাইট টু এডুকেচনৰ উদ্যোগত এসপ্তাহযোৰা প্ৰতিবাদ অব্যাহত আছে। ২৬ জানুৱাৰীৰ পৰা আৰম্ভ কৰি ১ ফেব্ৰুৱাৰীলৈকে অনুষ্ঠিত হোৱা এই কাৰ্য্যসূচীৰ অংশ হিচাপে বুধবাৰে গুৱাহাটী প্ৰেছ ক্লাৱত এখন আলোচনা সভা অনুষ্ঠিত কৰা হয়। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০-ৰ ৰাজহুৱা শিক্ষা বিৰোধী দফাবোৰ সংশোধন কৰাৰ দাবীৰ লগতে মুঠ চাৰিটা প্ৰধান বিষয়বস্তুকলৈ উক্ত আলোচনা সভাখন অনুষ্ঠিত কৰা হয়। তদুপৰি ভাৰত চৰকাৰৰ বিভিন্ন নব্য উদাৰবাদী নীতি যেনে মাচুল বৃদ্ধি, স্ব-বিত্তীয় পাঠ্যক্ৰম আৰম্ভ কৰা, বিভিন্ন স্তৰত বিত্তীয় অনুদান কমাই অনাৰ উপৰিও শিক্ষানুষ্ঠান সমূহত ৰাজনৈতিক নিযুক্তি আৰু পাঠ্যক্ৰম পৰিৱৰ্তন আদিৰ দৰে প্ৰতিক্ৰিয়াশীল নীতিৰে ৰাজহুৱা শিক্ষা ব্যৱস্থা সমূহ কিদৰে ধ্বংস কৰিবলৈ লৈছে সেই কথা সদৰী কৰে অনুষ্ঠানটোৰ উদ্যোক্তা সকলে। ইন্দ্ৰানী দত্তই সভাপতিত্ব কৰা উক্ত সভাত চৰকাৰৰ এনে নীতি বহিৰ্ভূত কাৰ্যৰ বাবে কিদৰে শিক্ষক তথা ছাত্ৰ সমাজৰ মাজত প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰিছে সেই বিষয়েও আলোচনা কৰা হয়। অনুষ্ঠানটোত সদৌ অসম প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক ৰাতুল গোস্বামীয়ে




শিক্ষাৰ অধিকাৰ আইন ২০০৯ -ৰ গুৰুত্বপূৰ্ণ তথ্যসমূহৰ বিশ্লেষণ দাঙি ধৰাৰ লগতে সদৌ অসম অপ্ৰাদেশীকৃত শিক্ষক কৰ্মচাৰী সংস্থাৰ সম্পাদক হৰমোহন বৰা আৰু সদৌ অসম অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানৰ পৰা বঞ্চিত শিক্ষক কৰ্মচাৰী সন্থাৰ নেত্ৰী পূৰবী শইকীয়াই তেওঁলোকে সন্মুখীন হোৱা সমস্যাসমূহৰ বিষয়েও অৱগত কৰে। সভাৰ শেষত ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ বাতিল কৰা, মুঠ ঘৰুৱা উৎপাদনৰ ১০ শতাংশ শিক্ষাত খৰছ কৰা, শিক্ষকক পাঠ্যক্ৰম বহিৰ্ভূত অনাশৈক্ষিক কামৰ পৰা আঁতৰাই ৰখা আৰু শিক্ষাৰ যুক্তৰাষ্ট্ৰীয় চৰিত্ৰ বাহাল ৰখাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উক্ত অনুষ্ঠানত অল ইণ্ডিয়া ফ'ৰাম ফৰ ৰাইট টু এডুকেচনৰ বিষয়ববীয়াসকলৰ লগতে বহুকেইগৰাকী গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

# টিপাম ফাকিয়াল প্ৰাথমিক বিদ্যালয়ৰ শতবৰ্ষ সমাৰোহ সম্পন্ন



**ই-সংবাদ, দুলীয়াজান, ২৯ জানুৱাৰীঃ** টেঙাখাত শিক্ষাখণ্ডৰ অন্তৰ্গত ঐতিহাসিক টিপাম অঞ্চলৰ প্ৰাথমিক শিক্ষাৰ বাটকটীয়া শিক্ষানুষ্ঠান টিপাম ফাকিয়াল প্ৰাথমিক বিদ্যালয়ৰ শতবৰ্ষত সমাৰোহ দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। এই উপলক্ষে ২৮ জানুৱাৰীত পুৱা উদযাপন সমিতিৰ সভাপতি নেত্ৰধৰ বুঢ়াগোহাঁইৰ লগতে প্ৰাক্তন ছাত্ৰ ছাত্ৰী তথা শিক্ষক শিক্ষয়িত্ৰী আৰু নেতৃস্থানীয় ব্যক্তিয়ে ১০৭ খন পতাকা উত্তোলন কৰে। স্মৃতি তৰ্পণ কৰে প্ৰাক্তন ছাত্ৰ পদ্ম বৰকাকতিয়ে। প্ৰকৃতিপ্ৰেমী নবীন বৰুৱা আৰু চেনেহী গগৈয়ে গছপুলি ৰোপণ কৰাৰ পাছতে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰ হৰেণ চলিহাই। জয়পুৰ উন্নয়ন খণ্ডৰ জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়া পাৰ্থজিৎ গগৈয়ে নৱ নিৰ্মিত শ্ৰেণীকোঠাৰ উদ্বোধনৰ পাছতে গুণগত প্ৰাথমিক শিক্ষাই শিক্ষাৰ্থীৰ শৈক্ষিকতথা ভৱিষ্যত জীৱনৰ মূল আধাৰ শীৰ্ষক আলোচনা চক্ৰ উদ্বোধন কৰে উষাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ অজিত বড়াই। অনুষ্ঠানত কেইবাগৰাকীও শিক্ষাবিদ তথা বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। বিয়লি স্থানীয় বিধায়ক তৰংগ গগৈয়ে স্মৃতিগ্ৰন্থ উন্মোচন কৰাৰ পাছতে সমাজসেৱক অকন গগৈ আৰু বুদুৱা চেতিয়াই বন্তি প্ৰজ্বলন আৰু সৰুৰাম গগৈ সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে গড়কাপ্তানী বিভাগৰ অৱসৰপ্ৰাপ্ত অভিযন্তা কান্তেশ্বৰ গগৈয়ে। সন্ধিয়া ৰিতুপৰ্ণ ফুকনৰ পৰিচালনাত কঠীয়া মাইম এণ্ড ড্ৰামা একাডেমীয়ে পৰিৱেশন কৰা নাটকৰ উদ্বোধন কৰে প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সম্পাদক অৱনী বড়াই। দ্বিতীয় দিনা অৰ্থাৎ আজি বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ অনুষ্ঠান মিলন তীৰ্থ অনুষ্ঠানটো উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰ কুমুদ গগৈয়ে। সঞ্চালনা কৰে প্ৰাক্তন ছাত্ৰ প্ৰদীপ গোস্বামীয়ে। অৱসৰপ্ৰাপ্ত শিক্ষকৰ সম্বৰ্ধনা আৰু অন্তৰংগ আলাপাৰ অনুষ্ঠান অপৰাহ্ন সোণালী স্মৃতি অনুষ্ঠানৰ পাছতে বন্তি প্ৰজ্বলন কৰে নকুল গগৈ আৰু গোপীনাথ গগৈয়ে। বেণুধৰ গোহাঁই আৰু নন্দেশ্বৰ গগৈৰ সোঁৱৰণত পুনম খনিকৰৰ পৰিচালনাত জয়মতী কুঁৱৰী নাটক পৰিৱেশন কৰাৰ লগতে সন্ধিয়া ৮ বজাত মুকলি সভা অনুষ্ঠিত হয়। নেত্ৰধৰ বুঢ়াগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত হবলগীয়া মুকলি সভাত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰাৰ উপৰিও শিল্পী বিপিন চাউদাঙে গীত পৰিৱেশন কৰে। উদযাপন সমিতিৰ সভাপতি নেত্ৰধৰ বুঢ়াগোহাঁই, কাৰ্যকৰী সভাপতি ৰমেশ গগৈ আৰু যুটীয়া সম্পাদক অজিত খনিকৰ, ৰূপম গগৈয়ে শতবৰ্ষ সমাৰোহ উদযাপনৰ ক্ষেত্ৰত ৰাইজৰ সহায় সহযোগৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# ৰঙিয়াত ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠা দিৱস আৰু দক্ষতা সমাৰোহৰ সামৰণি অনুষ্ঠানৰ আয়োজন

**ই-সংবাদ, ৰঙিয়া, ২৯ জানুৱাৰীঃ** ৰঙিয়া নগৰৰ নুৰুদ্দিন পথস্থিত ব্যাক্তিগত খণ্ডৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অহা ৩০ জানুৱাৰীত প্ৰতিষ্ঠা দিৱস আৰু দক্ষতা সমাৰোহৰ সামৰণি অনুষ্ঠানৰ ব্যাপক আয়োজন কৰা হৈছে। তদুপলক্ষে পুৱাৰ ভাগত পতাকা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব অধ্যক্ষ ডিজুৱান আহমেদে। ইয়াৰ পিছতে স্মৃতি তৰ্পণ কৰিব পৰিচালন সঞ্চালক ধ্ৰুৱজ্যোতি কলিতাই। গছপুলি ৰোপণৰ পিছতে প্ৰতিষ্ঠা দিৱসৰ বিশেষ অনুষ্ঠান উদ্বোধন কৰিব ৰাজ্যসভাৰ সাংসদ ভূৱনেশ্বৰ কলিতাই। কাৰ্যসূচীত মুখ্য অতিথিৰূপে উপস্থিত থাকিব স্থানীয় বিধায়ক ভবেশ কলিতা। ইয়াৰ পিছতে দক্ষতা সমাৰোহৰ সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব এমট্ৰনৰ উপ-প্ৰবন্ধক তথা সংস্কৃতিৰ দাপোণ কাকতৰ মুখ্য সম্পাদক দিনমণি ভাণ্ডাৰ কায়স্থ। কাৰ্যসূচীৰ অংশ হিচাপে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হ'ব। ইফালে প্ৰতিষ্ঠানটোৰ উদ্যোগত অনুষ্ঠিত কৰি অহা চলিত বৰ্ষৰ দক্ষতা সমাৰোহ কাৰ্যসূচীৰ অংশ হিচাপে আজি অনুষ্ঠিত কৰা হয় নিয়োগ মেলা। নেচনেল স্কিল ডেভেলপমেণ্ট কৰ্পৰেচনৰ অধীনত এ আই এছ ই চি টিয়ে(AISECT)য়ে ভিন্ন ক্ষেত্ৰৰ ১০ৰো অধিক আমন্ত্ৰিত আগশাৰীৰ উদ্যোগৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত নিয়োগ মেলাত চাৰি শতাধিক শিক্ষিত যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। এইসকল যুৱক-যুৱতীক সাক্ষাৎকাৰৰ জৰিয়তে নিযুক্তি প্ৰদান কৰিব প্ৰতিনিধিসকলে। নিয়োগ মেলাত ৰঙিয়াৰ লগতে বিভিন্ন প্ৰান্তৰ ১৪১ গৰাকী শিক্ষিত নিবনুৱা প্ৰত্যক্ষভাৱে নিযুক্তি লাভৰ বাবে বিবেচিত হয়। আনহাতে, নিয়োগ মেলাৰ লগত সংগতি ৰাখি ৰোজগাৰ মন্ত্ৰ শীৰ্ষক এটা শাখা মুকলি কৰা হয়।

# নগৰবেৰাৰ মেধিপাৰাৰ কালি পূজাস্থলীত অঘটন

**ই-সংবাদ, নগৰবেৰা, ২৯ জানুৱাৰীঃ** কামৰূপ জিলাৰ বকো-ছয়গাঁও সমষ্টিৰ অন্তৰ্গত মেধিপাৰাৰ ঐতিহাসিক কালি মন্দিৰত অনুষ্ঠিত ১২৪ সংখ্যক কালি পূজাত আজি সেৱা জনাবলৈ যোৱা এগৰাকী মহিলাৰ হঠাৎ ঢলি পৰি মৃত্যু হোৱা ঘটনাই অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে, মেধিপাৰা গাঁৱৰ নাৰায়ণ মেধিৰ পত্নী ছায়াৰাণী মেধি(৫৭)নামৰ মহিলাগৰাকীয়ে পূজাস্থলীত বন্তি জ্বলাই সেৱা জনাই থকা অৱস্থাত ঢলি পৰাত পূজা কমিটীৰ লগতে পৰিয়ালৰ লোকে ততাতৈয়াকৈ এম্বুলেঞ্চেৰে নগৰবেৰা ব্লক প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত ভৰ্তি কৰায় যদিও অৱশেষত চিকিৎসকে মহিলাগৰাকীক মৃত বুলি ঘোষণা কৰে।

## অসম জাতীয়তাবাদী যুৱছাত্ৰ পৰিষদৰ স্মাৰক পত্ৰ প্ৰদান

# তিতাবৰত সুদখোৰৰ তাণ্ডৱ, সুদৰ ধন আদায় নিদিয়া যুৱকক মাৰপিট

**ই-সংবাদ, তিতাবৰ, ২৯ জানুৱাৰীঃ** মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশক অংগুষ্ঠ প্ৰদৰ্শন কৰি তিতাবৰ নগৰত পুনৰ সক্ৰিয় হৈ পৰিছে সুদখোৰ চক্ৰ। সুদৰ ধন ঘূৰাই নিদিয়াৰ বাবে এজন যুৱকক গুৰুলা-গুৰুল কৈ প্ৰহাৰ কৰা ঘটনাই নগৰখনত ব্যাপক চাঞ্চল্য সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী অনুসৰি তিতাবৰ নগৰৰ আমবাৰী অঞ্চলৰ অমিতাভ চাহু নামৰ এজন অনা-অসমীয়া সুদখোৰ ব্যক্তিয়ে, তিতাবৰ ব্লকৰ সমীপৰ বিকাশ দাস নামৰ এজন যুৱকক সুদৰ ধন বিচাৰি মাৰপিট কৰাৰ লগতে প্ৰাণে মৰাৰ ভাবুকি প্ৰদান কৰাৰ ঘটনা সংঘটিত হৈছে। এই ঘটনাৰ পৰা স্পষ্ট হৈছে যে বৰ্তমানেও তিতাবৰ নগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত সুদখোৰ চক্ৰৰ এখন ৰমৰমীয়া বেহা চলি আছে। ইফালে, আজি ঘটনা সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে অসম জাতীয়তাবাদী যুৱছাত্ৰ পৰিষদ তিতাবৰ আঞ্চলিক সমিতিয়ে। সংগঠনটোৱে তিতাবৰ সমজিলাৰ আয়ুক্তক এখন দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰে। তিতাবৰত অবৈধভাৱে সুদৰ ব্যৱসায় চলাই থকা সকলো অসমজিক ব্যক্তিৰ ওপৰত কঠোৰ ব্যৱস্থা ল'বলৈ আহ্বান জনায়। তিতাবৰত অনুজ্ঞাপত্ৰ প্ৰাপ্ত সুদৰ ব্যৱসায়ীসকলৰ তথ্য ৰাজহুৱা কৰাৰ লগতে কিমান শতাংশ সুদৰ হাৰ গ্ৰহণ কৰিব পাৰিব-সেয়া প্ৰকাশ কৰিবলৈ প্ৰশাসনক দাবী জনায়। ইফালে, ঘটনাৰ পাছতে ভুক্তভোগী যুৱকজনে তিতাবৰ আৰক্ষী চকীত এজেহাৰ দাখিল কৰে বুলি জানিব পৰা গৈছে।



কংগ্ৰেছৰ সামাজিক মাধ্যম বিভাগৰ ৰাষ্ট্ৰীয় অধ্যক্ষ সুপ্ৰিয়া শ্ৰীনেটৰ কামাখ্যা দৰ্শন, বুধবাৰে

# শ্ৰীমন্ত শংকৰদেৱ সাহিত্য মঞ্চৰ 'চোতালত মাঘৰ এটি আবেলি' উদযাপন

**ই-সংবাদ, মৰিয়নি, ২৯ জানুৱাৰীঃ** যোৰহাট জিলাৰ টীয়কৰ এক আগশাৰীৰ সাহিত্য মঞ্চ শ্ৰীমন্ত শংকৰদেৱ সাহিত্য মঞ্চৰ উদ্যোগত কালি অনুষ্ঠিত হয় 'চোতালত মাঘৰ আবেলি' শীৰ্ষক এক বিশেষ অনুষ্ঠান। জগদুৱাৰ গায়ন গাঁৱৰ অজিত বৰা ঘৰৰ চোতালত অনুষ্ঠিত হোৱা ব্যতিক্ৰমী অনুষ্ঠান ভাগৰ সঞ্চালনা কৰে শ্ৰীমন্ত শংকৰদেৱ সাহিত্য মঞ্চৰ সম্পাদিকা ৰীতা বৰুৱাই। সাংগঠনিক সম্পাদক অৰূপজ্যোতি হাজৰিকাই আঁত ধৰা অনুষ্ঠানত কণমানি গীতাৰ্থ বৈভৱ বৰুৱাই এটি বৰগীতেৰে অনুষ্ঠান ভাগৰ শুভাৰম্ভ কৰে। সদ্যপ্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ আত্মাৰ সদ্গতি কামনাৰে এক মিনিট মৌন প্ৰাৰ্থনা জনোৱাৰ লগতে সম্পাদিকা ৰীতা বৰুৱা, কবি তথা কণ্ঠশিল্পী ৰত্না দেৱী বৰুৱা আৰু মুন বৰদলৈয়ে ৰাজীৱ শদিয়াৰ গীত পৰিৱেশন কৰি শিল্পীজনাক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শিশুসকলৰ বৌদ্ধিক বিকাশত গুৰুত্ব প্ৰদান কৰা অনুষ্ঠানটিত শিশু বক্তা জ্যোতিৰাণী ভূঞা, সুপ্ৰিয়া শইকীয়া আৰু বিদিশা শইকীয়াই ক্ৰমে 'শিষ্টাচাৰ', 'বিশ্বায়ন' আৰু 'শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যিক অৱদান' বিষয়ত বক্তৃতা প্ৰদান কৰাৰ লগতে মঞ্চৰ সভাপতি দেৱকান্ত বৰুৱা, উপ-সভাপতি দিলীপ শইকীয়া, উপদেষ্টা অজিত বৰা, মিণ্টু দাসকে ধৰি বহুকেইজন বক্তাই সাৰুৱা ভাষণেৰে এক আকৰ্ষণীয় পৰিৱেশৰ সৃষ্টি কৰে। উক্ত অনুষ্ঠানতে চেলেংহাট প্ৰেছ ক্লাবৰ সভাপতি মদনমোহন পাগবন্ধাই কবিতা আবৃত্তি, কণমানি সমীৰ প্ৰতীম বৰদলৈ আৰু গীতাৰ্থ বৈভৱ বৰুৱাই ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰাৰ লগতে বহু কেইগৰাকী ব্যক্তি তথা ছাত্ৰ-ছাত্ৰীয়ে কবিতা আবৃত্তি আৰু গীত, গল্প আদি পৰিৱেশন কৰে। শেষত মঞ্চৰ সভাপতি দেৱকান্ত বৰুৱা আৰু আহ্বায়ক অজিত বৰাই উপস্থিত সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰি অনুষ্ঠানৰ সামৰণি মাৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# লাহোৱালত পথৰ শিলান্যাস স্থাপন বিধায়ক বিনোদ হাজৰিকাৰ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৯ জানুৱাৰীঃ** অসম চৰকাৰে বাগিচা অঞ্চলৰ পথ নিৰ্মাণৰ বাবে একোখনকৈ বাগিচা লাইনত ১ কৌটিকৈ ধন আবণ্টন দিছে। মঙলবাৰে অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ অধীনৰ লাহোৱালৰ বকুল চাহ বাগিচাৰ অন্তৰ্গত নেপা লাইন, ৰাজগড় লাইন, নতুন ষ্টাফ লাইনৰ পথৰ শিলান্যাস স্থাপন কৰে লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাই। ৭টি পথৰ শিলান্যাস স্থাপন কৰে বিধায়ক বিনোদ হাজৰিকাই। অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ দ্বাৰা ২৪-২৫ বৰ্ষৰ RIDF-XXX আঁচনি অধীনত নিৰ্মাণ হ'ব এইকেইটা পথ। আনহাতে, বুধবাৰে চাবুৱা-লাহোৱাল সমষ্টিৰ অন্তৰ্গত মোকালবাৰী চাহ বাগিচাৰ ৬ নং লাইন আৰু স্কুল লাইন, কাম্যাখ্যাবাৰী চাহ বাগিচাৰ ধলাজান লাইন আৰু টিম লাইন পথৰ শিলান্যাস স্থাপন কৰে লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাই। ফুকনৰখাত গাঁও পঞ্চায়তৰ অধীনৰ দুটি পথৰ প্ৰায় ২৮৫০ মিটাৰ দৈৰ্ঘ আৰু আবণ্টিত ধনৰ পৰিমাণ ২ কৌটি টকা পথটি শিলান্যাস কৰে বিধায়কগৰাকীয়ে। ফুকনৰখাত গাঁৱৰ সমাজকৰ্মী পৰমানন্দ কোঁৱৰে আঁত ধৰা শিলান্যাস অনুষ্ঠানত ডিকম জিলা পৰিষদৰ প্ৰাক্তন সদস্য ব্ৰজেন গগৈ, মোহনবাৰী জিলা পৰিষদৰ প্ৰাক্তন সদস্যা ৰাণু দত্ত গগৈ, সমাজকৰ্মী খগেন ৰাজোৱাৰ, অজয় গগৈৰ লগতে মোকালবাৰী চাহ বাগিচাৰ ৬ নং লাইন আৰু স্কুল লাইন, কাম্যাখ্যাবাৰী চাহ বাগিচাৰ ধলাজান লাইন আৰু টিম লাইনৰ চাহ শ্ৰমিকসকল উপস্থিত থাকে।



লাহোৱালত পথৰ শিলান্যাস স্থাপন বিধায়ক বিনোদ হাজৰিকাৰ, ফটোঃ ই-সংবাদ, চাবুৱা-লাহোৱাল

# ৰঙিয়াত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, ৰঙিয়া, ২৯ জানুৱাৰীঃ** ৰঙিয়াত অহা ২১ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক ৰঙিয়া অধিৱেশন উপলক্ষে অহা ২ ফেব্ৰুৱাৰীত মূল ৰভাৰ লাইখুঁটা স্থাপন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইতিহাস প্ৰসিদ্ধ ৰজা আৰিমত্ত ক্ষেত্ৰ,তৰণীত উক্ত দিনা পুৱা ১১ বজাত আনুষ্ঠানিকভাৱে লাইখুঁটা স্থাপন কৰিব স্থানীয় বিধায়ক তথা অভ্যৰ্থনা সমিতিৰ সভাপতি ভবেশ কলিতাই। অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি লৰধৰ কলিতা আৰু সাধাৰণ সম্পাদক ৰাজেন কলিতাই এই উপলক্ষে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা বুলি সদৰি কৰাৰ লগতে ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# চৰকাৰৰক কৰ ফাঁকি দিয়া দুখন বলেৰ' পিক আপ ভেন জব্দ বৰমা আৰক্ষীৰ

**ই-সংবাদ, বৰমা, ২৯ জানুৱাৰীঃ** চৰকাৰে ৰাজহ সংগ্ৰহৰ কাৰণে সামগ্ৰীৰ ওপৰত লগোৱা জি এছ টি ফাঁকি দি পশ্চিমবংগৰ পৰা আনি থকা ৩৯ বস্তা কাপোৰ ভৰ্তি দুখন বলেৰ' পিক আপ ভেন বুধবাৰে জব্দ কৰে বৰমা আৰক্ষীয়ে। পশ্চিমবংগৰ পৰা ট্ৰেইনযোগে কাপোৰখিনি আনি ৰঙিয়া ষ্টেচনত নমাই তাৰ পৰা বৰপেটাৰোডলৈ AS-01 MC-5116 আৰু AS-01 QC-1942 বলেৰ' বাহন দুখনত ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে আনিছিল কাপোৰখিনি ।বৰমা আৰক্ষীয়ে গোপন সূত্ৰৰ পমখেদি ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথত জব্দ কৰে বাহন দুখন। পিছত বাক্সা কৰ অধীক্ষকে আহি সামগ্ৰীখিনিৰ কোনো নথি নথকাত বাহন দুখন দব্দ কৰি নলবাৰীলৈ লৈ যায়। চৰকাৰক কৰ ফাঁকি দি বহু লোকে ব্যৱসায় চলাই থকাৰ কথা সদৰি কৰি সেইসকল ব্যৱসায়ীৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্তব্য কৰে কৰ অধীক্ষক দীপেন দাসে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# অভয়পুৰত টেংকাৰৰ খুন্দাত এজন নিহত

**ই-সংবাদ, মথুৰাপুৰ, ২৯ জানুৱাৰীঃ** চৰাইদেউৰ অভয়পুৰত টেংকাৰৰ খুন্দাত বিদ্যুৎ বিভাগৰ এগৰাকী কৰ্মচাৰী থিতাতে নিহত হয়। বুধবাৰে চৰাইদেউ জিলাৰ অভয়পুৰ থানাৰ অন্তৰ্গত অভয়পুৰ তিনিআলিৰ সমীপত ধোদৰআলিৰ পথৰ ওপৰত এখন টেংকাৰে খুন্দিয়াই যোৱাৰ ফলত এই শোকাবহ ঘটনা সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। লোকজন চফ্ৰাই বুধবৰীয়া বজাৰৰ পৰা বজাৰ কৰি সোণাৰি অভিমুখে বাইকেৰে আহি থকা অৱস্থাত ঘটনাটো সংঘটিত হয় বুলি সন্দেহ প্ৰকাশ কৰা হৈছে। ঘটনাস্থলীতে লোকজনৰ মৃত্যু হয়। লোকজন সোণাৰি বিদ্যুৎ উপ-সংমণ্ডলৰ কৰ্মচাৰী আছিল। লোকজনৰ ঘৰ সোণাৰি ফৰেষ্ট গেটৰ সমীপত। নিহত লোকজনৰ নাম ব্ৰজেন বৰা বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে। ইতিমধ্যে টেংকাৰখন অভয়পুৰ আৰক্ষীয়ে জব্দ কৰিছে।

# পুৰণিগুদামত পথ দুৰ্ঘটনাত এজন থিতাতে নিহত

**ই-সংবাদ, পুৰণিগুদাম, ২৯ জানুৱাৰীঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত পুৰণিগুদাম আৰক্ষী চকীৰ এলেকাধীন পুৰণিগুদাম বৰুৱাচুকত ৰাষ্ট্ৰীয় ঘাইপথত আজি সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। জানিব পৰা মতে, পুৰণিগুদাম বৰুৱাচুক গাঁৱৰ নামঘৰীয়া তথা বাৰগএগ্ৰা ৰাইজৰ দেউৰী তথা মেধি মিলিক বৰুৱা (৭২)ক আজি এখন তীব্ৰবেগী মাৰুতি ৱাগনাৰে বাহনে খুন্দা মৰাৰ ফলত লোকজন থিতাতে নিহত হয়। তেওঁৰ মৃত্যুত বৃহত্তৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।



পুৰণিগুদাম কাষৰিগাঁৱৰ অস্থায়ী নাহাটা ৰোড কোম্পানীত বিধ্বংসী অগ্নিকাণ্ড, ফটোঃ ই-সংবাদ, পুৰণিগুদাম

# নামতি পিয়লি ফুকন শাখা সাহিত্য সভাৰ সম্পাদক দেৱযানী শইকীয়া গগৈক বঁটা প্ৰদান

**ই-সংবাদ, গেলেকী, ২৯ জানুৱাৰীঃ** শিৱসাগৰ জিলাৰ সমন্বয় শাখা সাহিত্য সভাৰ উদ্যোগত বৃহত্তৰ কোঁৱৰপুৰবাসী ৰাইজৰ সহযোগত কোঁৱৰপুৰ বলিয়াঘাটৰ কৃষ্টিবিকাশ প্ৰেক্ষাগৃহত শিৱসাগৰ জিলা সাহিত্য সভাৰ দ্বাবিংশতিতম পূৰ্ণকালীন অধিৱেশন অনুষ্ঠিত হয়। উক্ত অধিৱেশনতে নামতি পিয়লি ফুকন শাখা সাহিত্য সভাৰ সম্পাদক দেৱযানী শইকীয়া গগৈক বিশেষ পাৰদৰ্শী সংগঠক বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে নতুনকৈ গঠন কৰা গ্ৰাম্য অঞ্চলৰ শাখাটিত প্ৰথমটো কাৰ্যকালতে পঞ্চাছজন সাহিত্য সভাৰ আজীৱন সভ্য কৰাই শাখাটিক স্বৰ্ণ শাখাৰ স্বীকৃতি লাভৰ দিশে আগবঢ়াই নিয়াটোত সম্পাদকৰ পদক্ষেপ শলাগিবলগীয়া। তদুপৰি কাৰ্যকালৰ সময়ছোৱাত সদৌ অসম ভিত্তিত কবিতা, গল্প, অণুগল্প, সৃষ্টিশীল নৃত্য, কবিতাৰ পাণ্ডুলিপি, দিহানাম প্ৰতিযোগিতা, প্ৰাৰ্থনা প্ৰতিযোগিতা আদি কেইবাটিও বিষয়ত প্ৰতিযোগিতাৰ আয়োজন কৰা, কবিতা আবৃত্তি, বিহুনাচ আদিৰ কৰ্মশালাৰ আয়োজন কৰা, বিশিষ্ট ব্যক্তিক বঁটা সম্বৰ্ধনা প্ৰদান কৰা আদি কৰি মুঠ আঠত্ৰিশটা বৰ্ণাঢ্য অনুষ্ঠান কাৰ্যকালৰ ভিতৰত আয়োজন কৰি ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, মহিলা, বয়োজ্যেষ্ঠ ব্যক্তি সকলোৰে সৰ্বটোপ্ৰকাৰৰ মংগল সাধনৰ বাবে প্ৰয়াস কৰা পদক্ষেপ আদৰণীয় আৰু প্ৰশংসনীয়। নামতিত প্ৰত্যাহ্বানৰ মাজেৰে এটি শাখা প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা সম্পাদক দেৱযানী শইকীয়া গগৈয়ে কয় যে, প্ৰথমতে শাখাটো প্ৰতিষ্ঠা কৰোঁতে বাধা দিয়াসকলে এতিয়া সকলো ক্ষেত্ৰতে সহযোগিতা আগবঢ়ায়- এয়া শাখাটিৰ বাবে যোগাত্মক দিশ। শাখাই বিগত বৰ্ষত সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত যথেষ্ট কল্যাণকামী কাম কৰাৰ বাবেই হয়তো নামতি অঞ্চলৰ বহু লোকেই স্ব-ইচ্ছাই শাখাৰ সদস্যপদ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছে। এয়া শাখাৰ তথা সাহিত্য সভাৰ বাবে শুভলক্ষণ। দেৱযানী মহন্তক সভাপতি হিচাপে আৰু কেইবাজনো সাহিত্যনুৰাগী, সাংস্কৃতিক কৰ্মীক সহযোগী হিচাপে লৈ গঠন কৰা নামতিৰ পিয়লি ফুকন শাখা সাহিত্য সভাই ভৱিষ্যতে নামতি অঞ্চলৰ এটি শক্তিশালী শাখা হিচাপে প্ৰতিষ্ঠিত হৈ অঞ্চলটিৰ সুনাম আৰু গৌৰৱ অক্ষুণ্ণ ৰাখিব বুলি আশা প্ৰকাশ কৰিছে সম্পাদক দেৱযানী শইকীয়া গগৈয়ে। তেওঁ এই সন্মান ৰাইজৰ আশীৰ্বাদ বুলি গ্ৰহণ কৰে আৰু বঁটাটি নামতি পিয়লি ফুকন শাখা সাহিত্য সভাৰ উদ্যমী বিষয়ববীয়াসকলৰ কৰকমলত সন্মানেৰে অৰ্পণ কৰা বুলি জানিবলৈ দিয়ে। কাৰ্যকালৰ সময়ত সহায়-সহযোগিতা আগবঢ়াই উৎসাহিত কৰা সকলোকে আন্তৰিক ধন্যবাদ জনায়। সকলোৰে সহযোগিতাত শাখাটি ঠন ধৰি উঠিছে। ২০২৫-২৬ বৰ্ষৰ বাবে নৱ-নিৰ্বাচিত পিয়লি ফুকন শাখা সাহিত্য সভাৰ সভাপতি অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মল্লিকা বেগম, উপ-সভাপতি, শিক্ষয়িত্ৰী অসমা টুংখুঙীয়া আৰু সম্পাদক নামতি জাতীয় বিদ্যা নিকেতনৰ শিক্ষয়িত্ৰী মনিষা শইকীয়া তথা বিষয়ববীয়াৰ নেতৃত্বত শাখাই নতুন গতি লাভ কৰিব বুলি বঁটা প্ৰাপক প্ৰতিষ্ঠাপক সম্পাদক দেৱযানী শইকীয়া গগৈয়ে আশা প্ৰকাশ কৰে।

# মেধিপাৰা শগুণবাহী কালী মাই থানত ১২৪ সংখ্যক পূজাৰ সামৰণি

**ই-সংবাদ, নগৰবেৰা, ২৯ জানুৱাৰীঃ** নগৰবেৰাৰ মেধিপাৰা শগুণবাহী ৰাজহুৱা শ্ৰীশ্ৰী কালী মাইৰ পূজাক লৈ অঞ্চলজুৰি উখল-মাখল পৰিবেশ বিৰাজ কৰে। কালি আৰু আজি দুদিনীয়াকৈ অনুষ্ঠিত ১২৪ সংখ্যক কালী মাইৰ ঐতিহ্যমণ্ডিত পূজাভাগ উদযাপনক কেন্দ্ৰ কৰি গাঁওবাসীৰ মাজত সীমাহীন আনন্দ-উল্লাস দেখিবলৈ পোৱা যায়। এই উপলক্ষে প্ৰথমদিনা স্মৃতি তৰ্পণ, গছপুলি ৰোপণ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজি অন্তিম দিনা মূল পূজাভাগ আৰম্ভ হয়। পুৱাৰে পৰা জনস্ৰোতৰ অভিলেখ দেখা যায় পূজাস্থলীলৈ। লোকে লোকাৰণ্য হয় মন্দিৰ প্ৰাংগণ। পূজা উপলক্ষে বহু দূৰ-দুৰণিৰ পৰা বহু সংখ্যক ভক্তপ্ৰাণ ৰাইজে পূজাস্থলীত ভিৰ কৰা পৰিলক্ষিত হয়। স্মৰ্তব্য যে মেধিপাৰা আৰু শগুণবাহী কালী মাইৰ পূজাত বলি-বিধানৰ পৰম্পৰা নাই যদিও মাৰ নামত পাৰ চৰাই, পঠা ছাগলী আদি



উছৰ্গা কৰে বহুতেই। লোকবিশ্বাস অনুসৰি মন্দিৰত মাৰ নামত কিবা মানস কৰি উছৰ্গা কৰিলে মনোবাঞ্ছা সিদ্ধি কৰে কালী মাই। সেইমৰ্মে পাৰ চৰাই, পঠা ছাগলী আদিৰ উপৰি বহুতেই মাৰ নামত সোণ-ৰূপৰ বিভিন্ন অলংকাৰ-পাতিও আগবঢ়ায়। নাম-কীৰ্ত্তন, যজ্ঞ, পূজা আৰু পুষ্পাঞ্জলি, ভোগ গ্ৰহণ আদিৰ লগতে সন্ধিয়াৰ ভাগত যাত্ৰাভিনয়ৰো আয়োজন কৰা হয়। মেধিপাৰা-শগুণবাহী কালী মাৰ পূজাস্থলীত ভক্তপ্ৰাণ ৰাইজৰ যথেষ্ট ভিৰ পৰিলক্ষিত হয়।

# বৰপেটাৰোডত বৃহৎ পৰিমাণৰ হেৰ'ইনসহ তিনি গৰাকী লোকক আটক

**ই-সংবাদ, বৰপেটাৰোড, ২৯ জানুৱাৰীঃ** বৰপেটাৰোড আৰক্ষীয়ে ৰাইজৰ সহযোগত আজি বৃহৎ পৰিমাণৰ হেৰ'ইনসহ বৰপেটাৰোডৰ খৈৰাবাৰীৰ পৰা তিনিটা ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। বৰপেটাৰোড আৰক্ষীয়ে অভিযান চলাই আটক কৰা ড্ৰাগছ সৰবৰাহকাৰী তিনিটা ক্ৰমে বৰপেটাৰোড খৈৰাবাৰীৰ নৈমুদ্দিন, চিৰাজুল শেখ আৰু পলাশ ৰয়। এই তিনিওগৰাকীৰ ঘৰ খৈৰাবাৰীত বুলি জানিব পৰা গৈছে। সৰবৰাহকাৰী তিনিটাৰ পৰা ২০৯.০২ গ্ৰাম ড্ৰাগছ, নগদ ৯,২৭০ টকা আৰু ৭ টা ছিৰিঞ্জ জব্দ কৰে। উদ্ধাৰ কৰা ড্ৰাগছখিনি হেৰ'ইনৰ বুলি সন্দেহে কৰা হৈছে। ইতিমধ্যে তিনিওটা সৰবৰাহকাৰীক আটক কৰি তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।

# দৰঙৰ বড়িগাঁৱত পৱিত্ৰ জলছাহ মোবাৰক সম্পন্ন

**ই-সংবাদ, দুমুনিচকী, ২৯ জানুৱাৰীঃ** মঙলদৈ সমীপৱৰ্তী নগৰবাহীস্থিত বড়িগাঁও জুম্মা মছজিদ প্ৰাংগণত মছজিদৰ উন্নয়নৰ বাবে বড়িগাঁৱৰ ৰাইজৰ সহযোগত জলছাহ মোবাৰক সম্পন্ন হয়। মুখ্য অতিথি আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ইছলামিক স্ক'লাৰ, মুফতীয়ে আ'জুম বাংগাল শ্বাইখ গোলাম ছামদানী ৰেজৱীয়ে তত্বগধুৰ বক্তব্য ৰাখে। মুফতী চাহেবক জলছাহ পৰিচালনা সমিতিৰ পৰা সম্বৰ্ধনা পত্ৰ আৰু বিভিন্ন উপহাৰ সামগ্ৰী দিয়া হয়। প্ৰচলিত নূৰনামা সম্পৰ্কে সোধা এটি প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে আ'লা হজৰত, ইমাম আহমদ ৰাজাখাঁন ক্বাদিৰীৰ বিশ্ববিখ্যাত গ্ৰন্থ ফাতাৱা-ই-ৰেজৱীয়াহৰ খণ্ড-১২, পৃঃ ৩৫৩ ত থকা অনুসৰি উক্ত নূৰনামাসমূহত সংকলকসকলে কুৰআন আৰু হাদীচৰ উৰ্ধত বহু কথা সন্নিৱিষ্ট কৰিছে। নূৰনামা আৰু তাৰ বৰ্ণনাসমূহ মূলহীন। সেয়ে ইয়াক পাঠ কৰা শুদ্ধ নহয়। ইয়াৰ পৰা চোৱাব পোৱাটো বহুত দূৰৰ কথা। উপৰিক্ত কথাখিনি ফক্বীহে মিল্লত মুফতী জালালুদ্দিন আহমদ আমযাদীৰ গ্ৰন্থ ফাতাৱা-ই-ফাইজুৰ ৰছুলৰ ২য় খণ্ড ৫৮৮ পৃষ্ঠাতো উল্লেখ আছে। সেয়ে এই নূৰনামা পঢ়াৰ পৰা তেওঁ ৰাইজক বিৰত থাকিবলৈ আহ্বান জনায়।

# অষ্টম বাৰ্ষিক দৰাবিল মহোৎসৱ

**ই-সংবাদ, মিৰ্জা, ২৯ জানুৱাৰীঃ** মিৰ্জা দক্ষিণ কামৰূপৰ এখন গুৰুত্বপূৰ্ণ আৰ্দ্ৰভূমি দৰাবিল। পলাশবাৰী ৰাজহ চক্ৰৰ ৰামপুৰ গাঁৱত অৱস্থিত এইখন দৰাবিল প্ৰায় সাতশ শতিকা পুৰণি। ঐতিহাসিক দৰাবিলৰ বাকৰিত ২৩ জানুৱাৰীৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে আৰম্ভ কৰা হৈছে অষ্টম বাৰ্ষিক দৰাবিল মহোৎসৱ। ২০২৭ চনৰ পৰা মূলতঃ প্ৰকৃতি সুৰক্ষা, দৰাবিল সুৰক্ষা আৰু নদী শিহু সুৰক্ষাৰ স্বাৰ্থত দৰাবিল মহোৎসৱখনি আয়োজন কৰি আহিছিল। ২৬ জানুৱাৰীত অসম জাতীয় পৰিষদৰ যুটীয়া সম্পাদক পংকজ লোচন গোস্বামীয়ে দৰাবিল মহোৎসৱত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। অংশগ্ৰহণ কালত তেওঁ কয় যে আয়োজকসকলে দৰাবিল মহোৎসৱৰ উদযাপনেৰে দৰাবিলৰ বাকৰি জীপাল কৰিব বিচাৰিছিল। কিন্তু সময় আৰু চাকনৈয়াৰ পাকচক্ৰত মহোৎসৱৰ আৰম্ভণিত যিধৰণে আয়োজন কৰিছিল সেই ধৰণে উৎসৱটি ঠন ধৰি উঠিব পৰা নাই। অসমত নিজৰ নিজৰ ঠাইসমূহ আগুৱাই নিবলৈ বিভিন্ন ধৰণৰ উৎসৱ-পাৰ্বনৰ আৰম্ভ হৈছে। দৰাবিল দক্ষিণ কামৰূপ এক গুৰুত্বপূৰ্ণ আৰ্দ্ৰভূমি আৰু ৰামপুৰ, নহিৰা, জীয়াকুৰ আদি অঞ্চলৰ হৃদপিণ্ড। কিন্তু স্বাৰ্থপৰ মহলৰ দৰাবিলৰ পানী, মাটিৰ ওপৰত চকু পৰিছে। অতি দুৰ্ভাগ্যৰ কথা আমাৰেই এচাম ভাই-বন্ধুই দৰাবিল উন্নয়ন হোৱাটো বিচৰা নাই। ইয়াৰ ফলত বিলখন সংকটৰ সন্মুখীন হোৱাৰ লগতে একমাত্ৰ নদী শিহুৰ আবাসস্থল চকুৰ সন্মুখতে ধ্বংস হৈ পৰিছে।

# সাহিত্য-সংস্কৃতি বিকাশ গোষ্ঠী কামৰূপৰ প্ৰতিষ্ঠা দিৱসত গ্ৰন্থ উন্মোচন


**ই-সংবাদ, মিৰ্জা, ২৯ জানুৱাৰীঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ মিৰ্জাত জন্ম হোৱা অসমৰ আগামী সাহিত্য- সংস্কৃতি বিকাশ গোষ্ঠী কামৰূপৰ প্ৰথম বৰ্ষপূৰ্তিৰ অনুষ্ঠান যোৱা ইংৰাজী ২৮ জানুৱাৰীত ঝাৰোবড়ী দুৰ্গাপূজা মণ্ডপস্থলীত দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। উক্ত অনুষ্ঠানটিৰ সভাপতি ডাঃ শৰত চন্দ্ৰ ৰাভা, প্ৰফুল্ল চন্দ্ৰ চৌধুৰী মুখ্য সম্পাদক, ৰণজিৎ চৌধুৰী কাৰ্যকৰী সভাপতি, পবিত্ৰ কুমাৰ দাস আৰু দ্বিজেন তালুকদাৰ আছে সম্পাদক হিচাপে। সভাৰ দিনৰ কাৰ্যক্ৰমণিকা অনুসৰি পুৱা ৯.৩০ বজাত পতাকা উত্তোলন, ১০ বজাত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ, পুৱা ১১.০০ বজাত সতীৰ্থ সন্মিলন, দুপৰীয়া ১ বজাত আহাৰ বিৰতি, দুপৰীয়া ২ বজাত আহাৰ গ্ৰহণ, মুকলি সভাৰ লগতে বিভিন্ন লেখক-লেখিকাৰ গ্ৰন্থ উন্মোচন অনুষ্ঠান ইত্যাদি সফল ৰূপে ৰূপায়িত কৰা হয়। মুকলি সভাৰ সভাপতিত্ব কৰে ডাঃ শৰৎ ৰাভাই লগতে উদ্বোধন কৰে ডত তপন চন্দ্ৰ কলিতাই। মুকলি সভাত চাৰিখন গ্ৰন্থ উন্মোচন কৰা হয়। সভাত সাহিত্য-সংস্কৃতি বিকাশ গোষ্ঠীৰ "বোধিদ্ৰুম" প্ৰবন্ধ সংকলন উন্মোচন কৰে ৰূপেন্দ্ৰ কুমাৰ কলিতাই, মালব্য মালীৰ কাব্য সংকলন "অনুভৱৰ মালিতা" উন্মোচন কৰে ডাঃ শৰৎ ৰাভাই, ফুলমণি দাসৰ কাব্য সংকলন "শ্মশানযাত্ৰাৰ সময়ত কি এৰি যাম তোমালৈ" উন্মোচন কৰে সত্যৰঞ্জন বৰাই, কিশোৰ কুমাৰ কলিতাৰ কাব্য গ্ৰন্থ "ক'ত সামৰি থম হেঁপাহৰ ৰ'দ-কাচলি" উন্মোচন কৰে এডৱাৰ্ড ষ্টেডী এন চাংমাই। বিশেষভাৱে এই অনুষ্ঠানৰ লগত সংগতি ৰাখি সমাজ উন্নয়নৰ বৌধিক সৃষ্টিশীল চিন্তাধাৰাৰ ক্ষেত্ৰত অৱদান থকা তৰালী নাথ শৰ্মা, দ্বিজেন তালুকদাৰ,পবিত্ৰ কুমাৰ দাস, ৰঞ্জিত চৌধুৰী, হিৰেণ কলিতাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। আনহাতে, এই অনুষ্ঠানৰ লগত সংগতি ৰাখি সন্ধিয়া বিশেষ আকৰ্ষণ ৰূপে ফুলমণি দাসৰ পৰিচালনা তথা অভিনয়েৰে এখন উন্নত কাৰিকৰী কৌশলীৰে সমৃদ্ধ ব্যয়বহুল অপেচাদাৰী নাট "শুকুনিৰ প্ৰতিশোধ" দুদিনীয়াকৈ মঞ্চস্থ কৰা হ'ব। উল্লিখিত সভাত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, গৱেষক চৰকাৰৰ বঁটা প্ৰাপক গজেন্দ্ৰ চন্দ্ৰ অধিকাৰী, সাহিত্যিক তৰুণ চন্দ্ৰ কলিতা, দক্ষিণ কামৰূপৰ মহাবিদ্যালয়ৰ অধ্যাপক তথা বিশিষ্ট কবি এডৱাৰ্ড ষ্টেডী এন চাংমা, দক্ষিণ কামৰূপ বিদ্যাপীঠ হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক ৰূপেন্দ্ৰ কুমাৰ কলিতা, ডাঃ শৰত ৰাভাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# আই আই টি গুৱাহাটীত আজিৰ পৰা আলচেৰিংগা ২০২৫

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ২৯ জানুৱাৰীঃ** সংস্কৃতি, সৃষ্টিশীলতা আৰু সম্প্ৰদায়ৰ এক মনোমোহা সাংস্কৃতিক অনুষ্ঠান আলচেৰিংগা ২০২৫ আজিৰ পৰা আই আই টি গুৱাহাটীত আৰম্ভ হৈছে। ২৯ সংখ্যক বাৰ্ষিক আলচেৰিংগাৰ অন্তৰ্গত সমূহ কাৰ্যসূচীৰ শুভাৰম্ভ হ'ব ৩০ জানুৱাৰীত আৰু এই অনুষ্ঠান ২ ফেব্ৰুৱাৰী পৰ্যন্ত চলিব। এই বৰ্ষৰ আলচেৰিংগাত কিছুমান বিশেষ দিশ লক্ষণীয় হ'ব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিছে। "আৰ্কেড কৰ" নামৰ এক বিশেষ বিষয়বস্তুক কেন্দ্ৰ কৰি এইবাৰৰ সমগ্ৰ অনুষ্ঠানসমূহ পৰিচালিত হ'ব। ভাৰতৰ জনপ্ৰিয় বাঁহীবাদক ৰাকেশ চৌৰাছিয়াৰ বাঁহী বাদন আৰু বলিউডৰ জনপ্ৰিয় গায়ক অমিত ত্ৰিবেদীৰ গীতৰ অনুষ্ঠান হ'ব ছাজ-ক্লাছিকেল নাইট শীৰ্ষক সংগীতময় নিশাৰ মুখ্য আকৰ্ষণ। বলিউডৰ জনপ্ৰিয় বেণ্ড জাগাৰনট, ক্ৰেছেণ্ডো, ব্লিটজক্ৰিগ আদিয়েও এই চাৰিদিনীয়া সংগীতৰ মহোৎসৱত যোগদান কৰিব। আলচেৰিংগাৰ আন এক উল্লেখনীয় বৈশিষ্ট্য এশৰো অধিক বিভিন্ন কলা সংস্কৃতি শিতানৰ প্ৰতিযোগিতাসমূহ শাস্ত্ৰীয় সংগীত আৰু নৃত্যৰ একক আৰু দলীয় শাখা, নাটক, চিত্ৰকলা আৰু ফটোগ্ৰাফী, বিটবক্সিং, ৰেপ, ওপেন মাইক জুৰি আদিৰে সমৃদ্ধ হ'ব বুলি আয়োজক সমিতিয়ে জনাইছে। ভাৰতৰ প্ৰায় পাঁচশখন মহাবিদ্যালয়ৰ বহু হাজাৰ অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া আলচেৰিংগা ২০২৫ সৃষ্টিশীলতা, বৈচিত্ৰ্য আৰু শৈল্পিক উজ্জ্বলতাৰ প্ৰতীক হ'ব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে।

# কামৰূপৰ পছৰীয়াত বিধ্বংসী অগ্নিকাণ্ডত জাহ গ'ল এটা পৰিয়ালৰ বাসগৃহ

**ই-সংবাদ, গুৱালকুছি, ২৯ জানুৱাৰীঃ** কামৰূপ জিলাৰ দদৰা আৰক্ষী চকীৰ অন্তৰ্গত পছৰীয়া মিলনপুৰত আজি দুপৰীয়া সংঘটিত হোৱা এক ভয়াৱহ অগ্নিকাণ্ডত নিমিষতে জাহ যায় এটা পৰিয়ালৰ বাসগৃহ। প্ৰাপ্ত তথ্য অনুসৰি আজি দুপৰীয়া ১২.৩০ মান বজাত পছৰীয়া নিবাসী অনিল কলিতাৰ বাসগৃহত আকস্মিকভাৱে জুইৰ সূত্ৰপাত ঘটে। নিমিষতে জুইয়ে আগুৰি ধৰে বাসগৃহটোৰ চাৰিওকাষ। উল্লেখ্য যে অনিল কলিতাৰ বাসগৃহত মজুত থকা চাৰিটাকৈ ঘৰুৱা চিলিণ্ডাৰ বিস্ফোৰণ ঘটাত বিধ্বংসী জুইত জাহ যায় ৪ কোঠালিৰ ঘৰটোৰ লগতে সমস্ত বয়-বস্তু, কাঠৰ আচবাব, কাপোৰ-কানি, বাচন-বৰ্তন, গুৰুত্বপূৰ্ণ নথি-পত্ৰ, নগদ ধন তথা মূল্যৱান সামগ্ৰী। স্থানীয় ৰাইজে হাজো আৰু গুৱালকুছিৰ অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়াত ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ জুই



নিৰ্বাপণ কৰে। বাতৰি যুগুত কৰা সময়লৈকে অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই যদিও বৈদ্যুতিক শ্ব'ট-চাৰ্কিটৰ ফলতে জুইৰ সূত্ৰপাত হোৱা বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে। ইফালে, চকুৰপচাৰতে এনেদৰে সকলো হেৰুৱাই এতিয়া চকুৰে বাট নেদেখা হৈছে দুৰ্ভগীয়া পৰিয়ালটোৱে। আনহাতে, ঘটনাস্থলীত দদৰা আৰক্ষী চকী উপস্থিত হৈ আৰম্ভ কৰিছে তদন্ত।

# চতিয়াৰ শিক্ষক আব্দুল ফাৰুকৰ অকাল বিয়োগ



**ই-সংবাদ, চতিয়া, ২৯ জানুৱাৰীঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ দক্ষিণ অঞ্চলৰ কলাকাটী গাঁৱৰ শিক্ষক আব্দুল ফাৰুক এক জটিল ৰোগত দীৰ্ঘদিন আক্ৰান্ত হৈ আজি নিশা প্ৰায় ১ মান বজাত পৰলোকপ্ৰাপ্তি ঘটে। শিক্ষকজনৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগেই তেওঁৰ বাসভৱনলৈ অজস্ৰ জনতাৰ সোঁত বয়। সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ বিশ্বনাথ জিলা সমিতি, অসম সংখ্যালু সংগ্ৰাম পৰিষদৰ বিশ্বনাথ জিলা সমিতিৰ লগতে ১ নং চতিয়া গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি মইনুল হক চৌধুৰী, বিশ্বনাথ সমষ্টিৰ যুৱ কংগ্ৰেছৰ সভাপতি জাহাংগীৰ হুছেইন, কলাকাটী ২ নং প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি জালাল উদ্দিন মণ্ডল, কলাকাটী প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি মজিবুৰ ৰহমানকে প্ৰমুখ্য কৰি বহু ব্যক্তি তথা প্ৰতিষ্ঠানে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গ লৈ সমবেদনা জ্ঞাপন কৰে। শিক্ষকগৰাকীয়ে মৃত্যুৰ সময়ত পত্নী, পুত্ৰ, জীয়ৰী আৰু অনেক গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়।

# গোলকগঞ্জত চোৰাং গৰুসহ সৰবৰাহকাৰী আটক

**ই-সংবাদ, গোলকগঞ্জ, ২৯ জানুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত উত্তৰ ৰায়পুৰৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত নিৰ্মীয়মাণ উৰণ সেতুৰ তলত যোৱা নিশা আঠ বজাত আৰক্ষীয়ে অভিযান চলাই এখন বিলাসীবাহনত চোৰাং গৰু আৰু নিষিদ্ধ কফ চিৰাপসহ দুই সৰবৰাহকাৰীক আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। গণৰাজ্য দিৱসৰ কঠোৰ নিৰাপত্তাৰ সময়ত সাময়িকভাৱে বন্ধ হৈ পৰা গৰুৰ অবৈধ চোৰাং বেহা পুনৰ অসম-পশ্চিমবংগ সীমান্তত আৰম্ভ হৈছে। যোৱা নিশা গোপন খবৰৰ ভিত্তিত গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত কলিতাৰ নেতৃত্বত এটা আৰক্ষীৰ দল উৰণ সেতুৰ তলত খাপ পিটি আছিল। খবৰ অনুসৰি পশ্চিমবংগৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথেৰে গৌৰীপুৰ অভিমুখে গৈ থকা AS-07 K-7670 নম্বৰৰ টাটা ইণ্ডিকা বাহনখন আটক কৰে। বাহনখনত তালাচী চলোৱাত মুখ, ভৰি বন্ধা অৱস্থাত আনা তিনিটা চোৰাং গৰু, তেৰটা নিষিদ্ধ কফ চিৰাপৰ বটল উদ্ধাৰ কৰে। আৰক্ষীয়ে তৎপৰতাৰে বাহনখনত থকা সৰবৰাহকাৰী দুজনক আটক কৰে। আটকাধীন লোক দুজন গৌৰীপুৰৰ মধুশৌলমাৰী প্ৰথম খণ্ড গাঁৱৰ ছাকিনুৰ ৰহমান আৰু মালাতী খামাৰৰ আব্দুল মান্নান বুলি জানিব পৰা গৈছে।

# ভাওনা শিল্পী বিৰিঞ্চি শৰ্মাৰ মৃত্যু

**ই-সংবাদ, বাহনা, ২৯জানুৱাৰীঃ** এসময়ত অসমৰ বিভিন্ন স্থানত নাৰদৰ চৰিত্ৰত অভিনয় কৰি দৰ্শকৰ বিপুল সমাদৰ লাভ কৰা উত্তৰ যোৰহাটৰ পটীয়া গাঁৱৰ বাসিন্দা ভাওনা শিল্পী বিৰিঞ্চি শৰ্মা(৮১)ৰ কালি নিজা বাসভৱনত মৃত্যু হয়। অসম বিদ্যুৎ পৰিষদৰ পৰা অৱসৰ গ্ৰহণ কৰা কৰ্মচাৰীজনৰ মৃত্যুত বৃহত্তৰ অঞ্চলটোত শোকৰ ছাঁ পৰে। অমায়িক আৰু সৰবৰহী লোকজনে মৃত্যুৰ সময়ত দুই পুত্ৰ, বোৱাৰী, কন্যা সহ আত্মীয়ক এৰি থৈ গৈছে। অভিনয় শিল্পীজনৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই অঞ্চলটোৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ কালি বন্ধ ৰাখে।

# মুক্তিযোদ্ধা প্ৰসন্ন কুমাৰ গোস্বামীৰ জন্ম শতবৰ্ষত স্মৃতিচাৰণ সৰ্বধৰ্মীয় প্ৰাৰ্থনা

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৯ জানুৱাৰীঃ** মুক্তিযোদ্ধা, অৱসৰপ্ৰাপ্ত শিক্ষক, কথাছবি অভিনেতা, শিল্পী পেঞ্চনাৰ, নটসূৰ্য ফণী শৰ্মা বঁটাপ্ৰাপক ঢাপকটা সৰুসত্ৰ, সাহপুৰীয়া গাঁৱৰ নিৱাসী প্ৰসন্ন কুমাৰ গোস্বামীৰ জন্ম শতবৰ্ষ পূৰ্ণকান্ত বৰাক সভাপতি, ডঃ লক্ষ্মীকান্ত হাজৰিকাক কাৰ্যকৰী সভাপতি, মহেন্দ্ৰ দত্তক সম্পাদকৰূপে লৈ গঠন কৰা সমিতিখনে পৰিয়ালটোৰ সহযোগত বৰ্ষজোৰাকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰি আছে। গোস্বামীৰ কৰ্মস্থলী দহোটীয়া উঃ মাঃ বিদ্যালয়ত সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভাৰ লগতে স্মৃতিচাৰণ সভা ২৯ জানুৱাৰীত অনুষ্ঠিত কৰে। বহুসংখ্যক প্ৰাক্তন ছাত্ৰ, শুভাকাংক্ষী, অঞ্চলটোৰ অনুষ্ঠানসমূহৰ সৈতে জড়িতসকলৰ উপস্থিতিত সম্পাদক মহেন্দ্ৰ দত্তই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানৰ আৰম্ভণিতে প্ৰসন্ন কুমাৰ গোস্বামীৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি একালৰ সহকৰ্মী শিক্ষক বোধেন চন্দ্ৰ বৰাই ধূপ-দীপ প্ৰজ্বলন, সমিতিৰ সভাপতি পূৰ্ণকান্ত বৰাই মাল্য অৰ্পণ আৰু কাৰ্যকৰী সভাপতি ডঃ লক্ষ্মীকান্ত হাজৰিকাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছতে উপস্থিত থকাসকলে পুষ্পাঞ্জলি অৰ্পণ কৰে। তাৰ পাছতে অনুষ্ঠিত সৰ্বধৰ্মীয় প্ৰাৰ্থনাত গোলাপ বৰবৰা, প্ৰফুল্ল বৰাই মংগলাচৰণ, ঘোষা পাঠ কৰাৰ লগতে জ্ঞানী গুৰুদেৱ সিঙে শিখ ধৰ্মৰ, বিচিত্ৰ কুমাৰ চাহুৰে খ্ৰীষ্টান ধৰ্মৰ, ভাইজান আলী, তাহিৰ আহমেদৰ লগতে সহযোগীসকলে ইছলাম ধৰ্মৰ প্ৰাৰ্থনা কৰে। ডঃ অমূল্য চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত একালৰ প্ৰাক্তন ছাত্ৰ, বৰ্তমান উচ্চপদস্থ বিষয়া চ'ৰাছোৱাৰ জিতু বৰাই প্ৰসন্ন কুমাৰ গোস্বামীৰ কৰ্মময় জীৱন, সান্নিধ্যত লাভ কৰা অভিজ্ঞতা ব্যাখ্যা কৰে। সভাত ডঃ লক্ষ্মীকান্ত হাজৰিকা, ডঃ প্ৰমোদ চন্দ্ৰ নেওগ, ডঃ পৰাণ বৰুৱা, যোগানন্দ বৰা আৰু বোধেন চন্দ্ৰ বৰাৰ লগতে বহুকেইজনে বক্তব্য আগবঢ়ায়।

# বিদ্যাৰডাবৰী মাদ্ৰাছাত ছাত্ৰক মাৰধৰক লৈ উত্তেজনা

**ই-সংবাদ, গোলকগঞ্জ, ২৯ জানুৱাৰীঃ** ধুবুৰী জিলাৰ হালাকুৰা আৰক্ষী তালাচী চকীৰ অন্তৰ্গত বিদ্যাৰডাবৰী ইছলামীয়া হাফিজীয়া মাদ্ৰাছাৰ হুজুৰে(শিক্ষক) ছাত্ৰক মাৰপিট কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, চৰকাৰে মাদ্ৰাছাসমূহ বন্ধ কৰাৰ পিছতো গাঁৱে-ভূঞে একাংশ ধৰ্মীয় শিক্ষাৰ মাদ্ৰাছা চলি আছে। ইয়াৰে একাংশই ইছলাম ধৰ্মীয় শিক্ষাৰ নামত আৱাসিক মাদ্ৰাছা পাতি ছাত্ৰৰ হতুৱাই ধন আৰোহণ কৰি থকাৰো অভিযোগ উত্থাপিত হৈছে। একে অভিযোগ বিদ্যাৰডাবৰী ইছলামীয়া হাফিজীয়া মাদ্ৰাছাৰ ক্ষেত্ৰতো। অভিযোগ মতে, মাদ্ৰাছাখনৰ সম্পাদক তথা হুজুৰ আহমেদ আলীয়ে পুৱাই শিক্ষাৰ্থীসকলক গাঁওলৈ পঠিয়াই দিয়ে। তেওঁলোকে ঘৰে ঘৰে গৈ ধান, চাউল, দালি, নগদ ধন খুজি-মাগি লৈ আহে। আকৌ বিয়লি তেওঁলোকক পঠিয়াই দিয়ে কাষবীয়া বজাৰসমূহলৈ শাক-পাচলি, নগদ ধন যি পাৰে সংগ্ৰহ কৰিবলৈ। সকলোবোৰ সংগ্ৰহ কৰি আনিলেও হুজুৰ আহমেদ আলীয়ে সকলো নিজৰ ঘৰলৈ নি ছাত্ৰসকলক খাবলৈ দিয়ে কেৱল সুদা ভাত। সকলো গোটাই অনাৰ পিছতো এমুঠি পেট ভৰাই খাবলৈ নিদিয়াৰো অভিযোগ। হুজুৰ তথা মাদ্ৰাছাৰ সম্পাদক আহমেদ আলীৰ এনে আচৰণত অসন্তুষ্ট হৈ আজি ছাত্ৰসকলে বস্তু-সামগ্ৰী সংগ্ৰহ কৰিবলৈ যাবলৈ অমান্তি হয়। ইয়াতে আহমেদ আলীয়ে ক্ষুণ্ণ হৈ লাঠীৰে নিৰ্মমভাৱে ছাত্ৰসকলক প্ৰহাৰ কৰে। অমানুষিক অত্যাচাৰত সাহাবুদ্দিন সেখ, ছফিওৰ ৰহমান, হাসিবুল হক, জাইদুল আলী, ৰকিবুল হুছেইন, নাছিৰুদ্দিন সেখ, আফজাল আলী আৰু হাসিনুল আলী গুৰুতৰভাৱে আহত হয়। লাঠীৰ কোবত পিঠি, মুখ মণ্ডল ফাটি ৰক্তক্ষৰণ হয়। ঘটনাক লৈ স্থানীয় ৰাইজ গোট খাই উত্তপ্ত পৰিৱেশৰ সৃষ্টি কৰে। অৱস্থা বিষম দেখি আহমেদ আলীয়ে আত্মগোপন কৰে। খবৰ পাই হালাকুৰা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।




ডুমডুমাত অসম গাঁওৰক্ষী সংগঠনৰ ৭৬ তম ৰাজ্যিক অধিৱেশনৰ সামৰণি, ফটোঃ ই-সংবাদ, ডুমডুমা

# পুৰণিগুদাম কাষৰিগাঁৱৰ অস্থায়ী নাহাটা লোহাৰ কোম্পানীত অগ্নিকাণ্ড

**ই-সংবাদ, পুৰণিগুদাম, ২৯ জানুৱাৰীঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ পুৰণিগুদাম কাষৰিগাঁৱত আজি ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। কাষৰিগাঁৱত থকা নাহাটা এণ্ড কোম্পানীৰ পথ নিৰ্মাণ অস্থায়ী প্ৰতিষ্ঠানত হোৱা এই অগ্নিকাণ্ডত বৃহৎ লোকচানৰ সন্মুখীন হয় কোম্পানীটো। বহুসময় ধৰি হোৱা অগ্নিকাণ্ডত জুইৰ লেলিহান শিখাই আৱৰি ধৰে অস্থায়ী কোম্পানীটোৰ গৃহ সমূহৰ লগতে মেচিনসমূহ। বিশেষকৈ বহুসময় ধৰি হোৱা অগ্নিকাণ্ডত সমগ্ৰ কাষৰিগাঁও অঞ্চলটো ক'লা ধোঁৱাই চানি ধৰে। পাছত কেইবাখনো অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ীয়ে আহি জুই নিৰ্বাপিত কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে, বিগত সময়ত কেইবাবাৰো কোম্পানীটোত অগ্নিকাণ্ড সংঘটিত হৈছে। ইফালে, কোম্পানীটোৰ পৰা ওলোৱা ক'লা ধোঁৱাই বহুসময়ত বৃহত্তৰ কাষৰিগাঁও অঞ্চলৰ প্ৰাকৃতিক পৰিৱেশ দূষিত কৰি আহিছে। এইক্ষেত্ৰত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিয়ে কয় যে, এই কোম্পানীটোৱে জনসাধাৰণৰ জীৱন আৰু জীৱিকাৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াই আনিছে।অতি নিম্ন মানদণ্ডৰ মেচিনেৰী সামগ্ৰীৰে কাম-কাজ সমূহ চলোৱাৰ বাবেই বিগত সময়চোৱাত কেইবা বাৰু অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছে। কোম্পানীটোৰ পৰা হোৱা বায়ু প্ৰদূষণৰ ফলত বহুতো জীৱকুল মৃত্যুমুখত পৰাৰ লগতে কৃষিভূমিৰ অনিষ্ট সাধন আৰু স্থানীয় বাসিন্দাসকলো বেমাৰ-আজাৰত আক্ৰান্ত হোৱা দেখিবলৈ পোৱা গৈছে। কিদৰে জনবসতিপূৰ্ণ অঞ্চল এটাত এই কোম্পানীতো স্থাপন কৰিলে, কেনেদৰে অনুজ্ঞাপত্ৰ পালে, প্ৰদূষণ বিভাগে দৃষ্টি দিয়েনে নাই এয়াও এক ৰহস্যজনক বিষয়।লগতে এনেধৰণৰ কোম্পানীবিলাক জনবসতিপূৰ্ণ অঞ্চলৰ পৰা স্থানান্তৰ কৰি অন্য স্থানত স্থাপন কৰিবলৈ নগাঁও জিলা প্ৰশাসনক দাবী জনায় অন্যথা জনসাধাৰণক লগত লৈ গণতান্ত্ৰিকভাৱে অনাগত দিনত এনেধৰণৰ কোম্পানীসমূহৰ বিৰুদ্ধে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিয়ে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলি জানিবলৈ দিয়ে।

# মঙলদৈত মাৰাথন, চাইক্লিং প্ৰতিযোগিতা

**ই-সংবাদ, মঙলদৈ, ২৯ জানুৱাৰীঃ** মঙলদৈ চহৰৰ ঐতিহ্যমণ্ডিত ক্ৰীড়া-সামাজিক অনুষ্ঠান মঙলদৈ টাউন ক্লাবৰ গৌৰৱোজ্জ্বল শতবৰ্ষ সামৰণি অনুষ্ঠানৰ সৈতে সংগতি ৰাখি অসম ভিত্তিত মাৰাথন দৌৰ আৰু চাইকেল চালনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ১ ফেব্ৰুৱাৰীৰ পুৱা ৫ বজাত হ'বলগীয়া মাৰাথন দৌৰ প্ৰতিযোগিতা উদ্বোধন কৰিব প্ৰবীণ ক্ৰীড়াবিদ বীৰেণ মেধিয়ে। উক্ত প্ৰতিযোগিতা ছিপাঝাৰৰ নাৰিকলি মন্দিৰৰ পৰা আৰম্ভ হৈ মঙলদৈৰ বৰপুখুৰী পাৰত অৱস্থিত টাউন ক্লাব চৌহদত সামৰণি পৰিব। মাৰাথন প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰফুল্ল শৰ্মা সোৱৰণী ট্ৰফীসহ নগদ ধন ১৫,০০০ টকা, দ্বিতীয় পুৰস্কাৰ কবিৰাম চহৰীয়া সোৱৰণী ট্ৰফী সহ ১০,০০০ টকা, তৃতীয় পুৰস্কাৰ হিচাপে আছে বিষ্ণু মজুমদাৰ সোৱৰণী ট্ৰফীসহ ৫০০০ টকা। তদুপৰি উদগনিমূলক বঁটা হিচাপে আছে জিল্লুল হক সোৱৰণী ট্ৰফীসহ ৫০০০ টকা আৰু ৰেজাউল কৰীম হাজৰিকা সোৱৰণী ট্ৰফীসহ ২০০০ টকা। আনহাতে ২ ফেব্ৰুৱাৰীৰ পুৱা ৫ বজাত হ'বলগীয়া চাইকেল চালনা প্ৰতিযোগিতা উদ্বোধন কৰিব ৰাজ্যিক ভলীবল খেলুৱৈ গোবিন্দ বাগলাৰীয়ে। চাইকেল চালনা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিযোগীক বিমল দাস সোৱৰণী ট্ৰফীসহ ১৫,০০০ টকা, দ্বিতীয় স্থানপ্ৰাপ্তক শুক্লেশ্বৰ ডেকা (পাপু) সোৱৰণী ট্ৰফীসহ ১০,০০০ টকা আৰু তৃতীয় স্থানপ্ৰাপ্তক লক্ষ্মীনাৰায়ণ সাহা সোৱৰণী ট্ৰফীসহ নগদ ৫০০০ টকা প্ৰদান কৰা হ'ব। ইচ্ছুক প্ৰতিযোগী সকলক ৭০০২২৪১৪৪০ অথবা ৬৯০০৬৮৫৭২৩ ফোন নম্বৰত যোগাযোগ কৰিবলৈ কোৱা হৈছে।



শ্ৰীলংকাৰ বিৰুদ্ধে টেষ্টত শতকীয় ইনিংছৰ পিছত দৰ্শকৰ অভিবাদন গ্ৰহণ অষ্ট্ৰেলিয়াৰ খাজাৰ

## শচীন, লাৰা, পণ্টিঙৰ সৈতে এলিট ক্লাবত প্ৰৱেশ ষ্টিভ স্মিথৰ

# টেষ্ট ক্ৰিকেটত ১০ হাজাৰ ৰান সম্পূৰ্ণ কৰি অভিলেখ গঢ়িলে স্মিথে

**মেলবৰ্ণ, ২৯ জানুৱাৰীঃ** টেষ্ট ক্ৰিকেটৰ ইতিহাসত পুনৰবাৰ নিজৰ শ্ৰেষ্ঠত্ব প্ৰমাণ কৰিবলৈ সক্ষম হ'ল ষ্টিভ স্মিথে। ১০ হাজাৰ ৰানৰ মাইলফলক স্পৰ্শ কৰি এলিট ক্লাবত প্ৰৱেশ কৰিছে অষ্ট্ৰেলিয়াৰ এই তাৰকা বেটাৰগৰাকীয়ে। উল্লেখ্য যে, সময়ামুয়িক বেটাৰ বিৰাট কোহলি আৰু জো ৰুটতকৈ বহু গুণেই আগত ৰখা হয় স্মিথক, আৰু শেহতীয়াকৈ শ্ৰীলংকাৰ বিৰুদ্ধে প্ৰথমখন টেষ্টতে তেওঁ নিজৰ স্থান শক্তিশালী কৰিছে। লক্ষণীয় যে, মাত্ৰ ২০৫ ইনিংছত এই অভিলেখ অৰ্জন কৰা স্মিথ টেষ্ট ইতিহাসৰ দ্ৰুততম বেটছমেনৰ তালিকাত তৃতীয় স্থানত আছে। ৫ জানুৱাৰীত ভাৰতৰ বিৰুদ্ধে অন্তিমখন খেলত তেওঁ ৯৯৯৯ ৰানত থমকিবলগীয়া হৈছিল। ইয়াৰ পিছত ২৪ দিনৰ অন্তত ২৯ জানুৱাৰীত প্ৰথমটো বল খেলিয়েই ১০ হাজাৰ ক্লাবত প্ৰৱেশ কৰে অষ্ট্ৰেলিয়ান বেটাৰগৰাকীয়ে। স্মিথৰ এই কৃতিত্বৰ পিছতে শ্ৰীলংকাৰ ক্ৰিকেটাৰ আৰু গেলেৰীত থকা দৰ্শকে ষ্টেণ্ডিং অভেচন দি তেওঁক অভিনন্দন জনায়। উল্লেখ্য যে, টেষ্ট ইতিহাসত মাত্ৰ ১৫ জন বেটছমেনেহে এই কৃতিত্ব অৰ্জন কৰিছে। স্মিথে এতিয়া শচীন টেণ্ডুলকাৰ, ব্ৰায়ান লাৰা, ৰিকি পণ্টিঙৰ দৰে কিংবদন্তিৰ সৈতে নিজৰ স্থান দখল কৰিছে। ২০১০ চনত অভিষেক ঘটাৰ পিছৰে পৰা ক্ৰমান্বয়ে টেষ্ট ক্ৰিকেটৰ অন্যতম শ্ৰেষ্ঠ বেটছমেন হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। ৩৫ বছৰ বয়সত তেওঁ ইতিমধ্যে ৩৪টা শতক অৰ্জন কৰিছে। অন্যহাতে, ১০ হাজাৰ ৰানৰ ক্লাবত প্ৰৱেশ কৰা দ্ৰুততম খেলুৱৈৰ তালিকাৰ শীৰ্ষত আছে ব্ৰায়ান লাৰা, শচীন টেণ্ডুলকাৰ আৰু কুমাৰ ছাংগাকাৰা। ইয়াৰ বাবে তিনিওজনে ১৯৫ ইনিংছ সময় লৈছিল। আৰু অষ্ট্ৰেলিয়াৰ বেটছমেনৰ ভিতৰত স্মিথ এই অভিলেখ অৰ্জন কৰা চতুৰ্থজন ক্ৰিকেটাৰ। তেওঁৰ পূৰ্বে এলান বৰ্ডাৰ, ষ্টিভ ৱা আৰু ৰিকি পণ্টিঙে এই তালিকাত স্থান লাভ কৰিছিল। এতিয়া স্মিথে নিজৰ নাম তালিকাত অন্তৰ্ভুক্ত কৰিছে।

# নগাঁৱৰ জুৰীয়াত বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ খেল আৰম্ভ

## উদ্বোধনী খেলত ১-০ গ'লত জয়ী অম্লান গোষ্ঠী

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৯ জানুৱাৰীঃ** ৰাজ্যখনৰ বিভিন্ন জিলাৰ লগতে নগাঁও জিলাৰ জুৰীয়াতো আজিৰে পৰা ৭০ সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ চেণ্ট্ৰেল অসমৰ ক্লাষ্টাৰ-৩ ৰ জিলা পৰ্যায়ৰ খেল আৰম্ভ হৈছে। জিলাখনৰ জুৰীয়া বগৰিগুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত আজি নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসৰ লগতে বিষয়ববীয়া ডাঃ কৃষ্ণ কুমাৰ বৰা, উজ্জল বৰুৱা, অসীম কুমাৰ ভাৰাল, অনিল দাস, প্ৰান্তৰ ভট্টাচাৰ্য, বিশিষ্ট ক্ৰীড়া সংগঠক কুসুম ডেকা, জুৰিয়া নিউ মিলন ক্লাবৰ মুখ্য উপদেষ্টা মুখলেছুৰ ৰহমান, বগৰিগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ গৌতম মেধি, ফুটবল খেল পৰিচালনা সমিতিৰ সভাপতি ফজলুল হক আৰু সম্পাদক ৰাবুল হুছেইন, জুৰীয়া প্ৰেছ ক্লাবৰ সভাপতি দিলোৱাৰ হুছেইন, জুৰিয়া নিউ মিলন ক্লাবৰ আছিকুৰ ৰহমান, মুজিবৰ ৰহমান, সমাজসেৱিকা মুৰশিদা বেগমৰ লগতে নগাঁও ক্ৰীড়া সংস্থা, জুৰীয়া নিউ মিলন ক্লাব আৰু জুৰীয়া প্ৰেছ ক্লাবৰ আন ভালেসংখ্যক কৰ্মকৰ্তা উপস্থিত থাকে। আজিৰ নগাঁও জিলাৰ জুৰিয়াৰ খেলৰ উদ্বোধনী অনুষ্ঠানত কেইবাজনো প্ৰাক্তন ফুটবলাৰক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। নগাঁও জিলাৰ উদ্বোধনী খেলত অম্লান গোষ্ঠীয়ে নগাঁও টাউন ক্লাবক ১-০ গলত হৰুৱাই সম্পূৰ্ণ পইন্ট অৰ্জন কৰিছে। অম্লান গোষ্ঠীৰহৈ খেলৰ-৪৭ মিনিটত মনেশ্বৰ মহেলাই বিজয়সূচক গলটো দিয়ে। নগাঁও জিলাৰ অন্যতম আয়োজক জুৰিয়া প্ৰেছ ক্লাবৰ সভাপতি দিলোৱাৰ হুছেইনে জনোৱামতে, আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী পবিত্ৰ বৰাক সহায় কৰে কৃষ্ণ কান্ত দাস, অপূৰ্ব বৰা আৰু শোণিত কুমাৰ বৰা ( চতুৰ্থ ) ই।

# পলাশবাৰীৰ দখলাত দুদিনীয়াকৈ দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন

**ই-সংবাদ, মিৰ্জা, ২৯ জানুৱাৰীঃ** পলাশবাৰী সমষ্টিৰ অন্তৰ্গত দখলাত অহা ৮ আৰু ৯ ফেব্ৰুৱাৰীত দুদিনীয়াকৈ আয়োজন কৰা হৈছে দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতা। দখলা কমাৰ্চ কলেজ খেল পথাৰত অনুষ্ঠিত কৰা হ'ব উক্ত প্ৰতিযোগিতাখনি। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ হিচাপে পঞ্চাশ হাজাৰ টকাৰ লগতে ট্ৰফী, দ্বিতীয় পুৰস্কাৰ হিচাপে থাকিব ত্ৰিশ হাজাৰ টকাৰ লগতে ট্ৰফী থাকিব বুলি উদ্যোক্তা সমিতিয়ে জানিবলৈ দিয়ে। প্ৰতিযোগিতাৰ ভৰ্তি মাচুল দুহেজাৰ টকা ধাৰ্য কৰা হৈছে। প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰিব খোজা দলসমূহে দলীয় পোছাক, জোতা পৰিধান কৰাৰ লগতে দলত ৮ জনকৈ খেলুৱৈ থকাৰ নিয়মাৱলী বান্ধি দিয়া হৈছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি